আপোনালোকে সহায় কৰিলে এই কাম মই সহজতে কৰিব পাৰোঁ।—aponaloke hahaya karile ei kam moi hahajate kariba paron.

I can do this work easily if you help me

আপুনি বোধ কৰোঁ এতিয়া সুবিধা মতে আছে—apuni bodh karon etia hubidhamate achhe.

I hope you are quite comfortable now.

মই নিজে এইটো দেখিছোঁ—moi nije eito dekhichhon

I have seen it myself.

তেওঁ নিজেই ভুক্তভোগী—teon nijei bhuktabhogi

He himself is the sufferer.

মোৰ বয়স পোন্ধৰ, তোমাৰ কিমান ?—mor bayah pondhara, tomar kiman.
My age is fifteen, what is yours ?

সি আমাৰ ঘৰলৈ আহিলে মযো তাৰ ঘৰলৈ যাম—hi amar gharaloi ahile mayo tar gharaloi jam.
If he comes to our house. I also shall go to his

এইখন মোৰ নিজৰ কিতাপ—eikhan mor nijar kitap
This is my own book.

তাক মোৰ কথা কবা—tak mor katha koba
Tell him of me.

ই তোমাৰ ভবিষ্যতে সহায় কাৰব—i tomar bhabisyate hahaya kariba
It will help you in future.

ই এটা ভাল ল'ৰা—i eta bhal lora
This is a good boy.

মই ইয়াকো কৈছিলোঁ।—moi iako kaichhilon
I too spoke so.

তোমাক এই কথা কোৱা নাছিলোঁ। নে ?—tomak ei katha koa nachhilon ne ?
Did not tell you so ?

তুমি যি কৰা মযো তাকে কৰিম—tumi ji kara mayo take karim
I will do the same as you.

ডাঙৰ ভায়েকে যি কৰে সৰু ভায়েকেও তাকে কৰে—dangar bhayeke ji kare haru bhayekeo take kare.
The younger brother does the same as the elder.
তোমাৰ কি হৈছে ?—tomar ki hoise
What is the matter with you ?
মোক এই প্ৰশ্ন সুধিবৰ তুমি কোন ?—mok ei prashna hudhibar tumi kon
Who are you to put this question to me ?
তেওঁ কোন মই কব নোৱাৰোঁ।—teon kon moi kaba noaron.
I do not know who he is.
তুমি যি কোৱা সেয়ে ঠিক—tumi ji koa heye thik
What you say is right.
কোনো কোনোৱে এনেকৈ কয়—kono konove enekoi koy
Some people say so.
সিদিনা মই গৈছিলোঁ।—hidina moi gaichhilon
I went the other day.
কৰা কাম নকৰা কৰিব নোৱাৰি—kara kam nakara kariba noari.
What is done cannot be undone.

EXERCISE

1. How many kinds of Adjectives are there in Assamese ? Give two examples.
2. How Abstract nouns are formed ? Give examples of each kind.
3. How many kinds of Pronouns are there in Assamese ? Give examples of each kind ?
4. Translate into English :—

আপুনি, তেওঁ, মই, যেনে, যি, যিবিলাক, এনে, ই, এইবিলাক তেওঁত, সিহঁত, আমি, মোৰ, মোক, আমাক।

LESSON 9

Verb (ক্ৰিয়া) Kriya

মই কৰোঁ—I do.

সি দৌৰে—He runs.

সিহঁত যায়—They go.

ল'ৰাবিলাকে হাঁহে—The boys laugh.

ছোৱালীবিলাকে নাচে—The girls dance.

In these sentences কৰোঁ, দৌৰে যায় হাঁহে and নাচে are finite verbs. In Assamese verbs do not change with their genders and numbers as in Hindi :

ল'ৰাটোৱে দেখিছে—The boy is seeing.

ছোৱালীজনীয়ে দেখিছে—The girl is seeing.

ল'ৰাবিলাকে দেখিছে—The boys are seeing.

ছোৱালীবিলাকে দেখিছে—The girls are seeing.

It changes according to the persons of the nominative only, as :—.

Ist Person

মই কৰিছোঁ—I am doing.

আমি কৰিছোঁ—We are doing.

2nd Person

তই কৰিছ – Thou are doing.

তহঁতে কৰিছ — You are doing.

তুমি কৰিছা— You are doing.

তোমালোকে কৰিছা—You are doing.

2nd Person (polite)

আপুনি কৰিছে—You are doing.

আপোনালোকে কৰিছে—You are doing

3rd Person

সি কৰিছে—He is doing.

সিহঁতে কৰিছে—They are doing.

In Assamese verbs are divided into two groups (a) সমাপিকা ক্রিয়া (complete verbs) and (b) অসমাপিকা ক্রিয়া (incomplete verbs).

The suffix ই is added with the root verb in incomplete verbs, as :—

কৰ্ + ই = কৰি (doing)

দেখ্ + ই = দেখি (seeing)

খা + ই = খাই (eating)

শুন্ + ই = শুনি (hearing)

তুমি কি দেখি আহিলা—Seeing what have you come ?

মই ঘৰ দেখি আহিলোঁ।—Seeing the house I have come

এতিয়া কিবা খাই যোৱা—Now taking something you go.

মানুহে শুনি কি কব—Hearing this what will people say ?

এই কামটো কৰি মই ভাত খাম—After doing this work I shall take my meal

খাই উঠি স্কুললৈ যাবা—After taking your meal go to school.

Complete verbs are also divided into intransitive (অকৰ্মক) and transitive (সকৰ্মক) verbs.

A list of some transitive and intransitive verbs is given below : --

Intransitive — অকৰ্মক	*Transitive*—সকৰ্মক
হোৱা—to be	খোৱা—to eat
যোৱা—to go	পঢ়া—to read
অহা—to come	ধোৱা—to wash
কন্দা—to weep	লোৱা—to take
শোৱা—to sleep	অনা—to bring
উৰা—to fly	ছপা—to print
ডুবা—to drown	হেৰোৱা—to loose
হাঁহা to laugh	জোখা— to measure
পলোৱা—to flee	সোধা— to ask

দৌৰা—to run

নচা—to dance

খেলা—to play

মৰা—to die

পৰা—to fall

বহা—to sit

উঠা—to rise

জগা—to wake

থকা— to reside

সাঁতোৰা—to swim

যুঁজা—to fight

ভোগা—to suffer

ভিজা—to wet

শুকোৱা – to dry

সিয়া—to sew

পিয়া—to drink

পোৱা—to get

দিয়া—to give

টনা—to draw

আঁকা—to draw

খন্দা—to dig

কৰা—to do

কোৱা—to speak

বেচা—to sell

শুঙা—to smell

শিকা—to learn

In Assamese causative verbs are formed by adding 'আ' to the primary root verb, as :—

সি দেখিব—**He will see.**

মই তাক দেখুৱাম—I shall show him.

সি পঢ়ে—**He read**

মই তাক পঢ়াওঁ—**I teach him.**

সি এইটো কৰিব—**He will do it.**

মই তাৰ হতুৱাই কৰাম—**I shall make him do it.**

A list of some simple and causative verbs in Assamese :

উঠা — to rise   তোলা—to raise
বহা—to sit   বহুওৱা—to cause to sit down
পিয়া—to drink   পিওৱা—to drench
পৰা – to fall   পেলোৱা – to fell
বুৰমৰা—to dive   বুৰুৱা—to dip
চোহা—to suck   চুহি পেলোৱা—to soak
পিয়াহ খোৱা—to suck   পিয়াহ খুউৱা—to suckle
খোৱা—to eat   খুউৱা—to feed
দেখা—to see   দেখুৱা—to show
শিকা—to learn   শিকোৱা—to instruct
পঢ়া – to read   পঢ়োৱা—to teach
বচা—to live   বচোৱা—to save
জনা– to know   জনোৱা—to inform
লৰা—to move   লৰোৱা – to remove
সোঁৱৰা—to remember   সোঁৱৰাই দিয়া—to remind
পৰি থকা—to lie   পেলাই থোৱা—to lay

Examples :

তেওঁ ইয়াত থাকে—He lives here.

তেওঁ বহুত দিন ইয়াত আছে—He has been here for a long time.

মই কিতাপ পঢ়িছোঁ—I am reading a book

মই তোমাক কিতাপখন দিলোঁ—I give you the book.

সি লেখিছে—He is writing.

মই কিতাপখন পঢ়িলোঁ।—I have read the book.

এই কেইদিন বৰষুণ দিছে—It has rained all these days.

মই এইমাত্ৰ আহি পালোঁ।—I have just arrived.

তেওঁ গীত গাব নোৱাৰে—He cannot sing.

কমল শ্ৰেণীত উপস্থিত নাছিল—Kamal did not attend the class.

চৰাইটোলৈ চোৱা—Look at the bird.

Exercise

1. What is an incomplete Verb? Give two example.

2. Give the causative forms of the following Verbs :

   উঠা, পৰা, দেখা, পিয়া, পঢ়া, লৰা, জনা।

3. Translate into Assamese :—

   to be, to come, to go, to sleep, to weep, to flee, to sit, to fight, to dance, to laugh.

————

LESSON 10

Gender (লিঙ্গ) Linga

There are three genders in Assamese language— পুংলিঙ্গ (Masculine). স্ত্রীলিংঙ্গ (Feminine). ক্লীবলিঙ্গ (Neuter), which correspond to the genders in English. Besides the aforesaid three there is another gender in Assamese by the name of উভয়লিঙ্গ i. e. common gender.

The masculine and the feminine of the words of উভয়লিঙ্গ are marked by prefixing টো, জনী etc.

A few examples of common gender and their English equivalents :

Common		*Mas.*		*Fem.*	
মানুহ	mankind	মানুহটো	man	মানুহজনী	woman
গৰু	cow	গৰুটো	bull	গৰুজনী	cow
ছাগলী	goat	পঠা ছাগলী	he goat	পাঠী ছাগলী	she goat
সন্তান	child	পুত্ৰ সন্তান	male child	কন্যা সন্তান	female child

ঘোঁৰা	horse	ঘোঁৰাটো	male horse	ঘোঁৰাজনী ঘুঁৰী	mare
চৰাই	bird	চৰাইটো	male bird	চৰাইজনী	female bird

Masculine words can be changed into feminine in three ways :

(1) By using affixes or suffixes

(2) By using words of feminine senses

(3) By using corresponding feminine terms

1. (a) Feminine forms by affixing আ

Mas.	*Fem.*
মহাশয় (gentle man)	মহাশয়া
প্ৰিয়তম (dearest one)	প্ৰিয়তমা
আচাৰ্য্য (preceptor)	আচাৰ্য্যা
শিষ্য (disciple)	শিষ্যা
বৃদ্ধ (old)	বৃদ্ধা
কৃশ (lean)	কৃশা

(b) Feminine forms by affixing ঈ, ইনী, উনী, and অনী

Mas.	*Fem.*
নদ (river)	নদী
তৰুণ (young)	তৰুণী
সুন্দৰ (beautiful)	সুন্দৰী
দেৱ (god)	দেৱী
ব্ৰাহ্মণ (brahman)	ব্ৰাহ্মণী
চাকৰ (servant)	চাকৰণী
কুমাৰ (potter)	কুমাৰণী
কোঁচ (an Assamese caste)	কুঁচুনী
গোসাঁই (Gohain)	গোসাঁনী
মাতুল (maternal uncle)	মাতুলানী
ছাত্ৰ (student)	ছাত্ৰী
বান্ধৱ (friend)	বান্ধৱী
হৰিণ (stag)	হৰিণী
ৰুদ্ৰ (Rudra)	ৰুদ্ৰাণী
ইন্দ্ৰ (Indra)	ইন্দ্ৰাণী

Mas	*Fem.*
বাঘ (tiger)	বাঘিনী
বগা (white)	বগী
ক'লা (black)	ক'লী
ৰঙা (red)	ৰাঙী

Mas.	*Fem.*
ফেটা (bent upward)	ফেটি
ডেকা (young boy)	ডেকেৰী, গাভৰু
ধোবা (washerman)	ধুবুনী
খাচীয়া (Khasia)	খাচীয়ানী
নাপিত (barbar)	নাপিতনী
মিকিৰ (Mikir)	মিকিৰণী
বান্দৰ (monkey)	বান্দৰী
শিয়াল (jackal)	শিয়ালী
পেহা (husband of father's sister)	পেহী
মহা (,, of mother's ,,)	মাহী
খুৰা (uncle)	খুৰী
মামা (maternal uncle)	মামী
ৰগ (heron)	ৰগলী
শালিকা (a kind of small bird)	শালিকী
টেঙৰ (cunning)	টেঙৰী
অঁকৰা (fool)	আঁকৰী
পগলা (mad)	পাগলী
অজলা (simple)	আজলী
কণা (blind)	কাণী
নিলাজ (shameless)	নিলাজী
বিড়াল (cat)	বিড়ালী

Mas.	*Fem.*
বৰুৱা (Barua)	বৰুৱানী
শইকীয়া (Shaikia)	শইকীয়ানী
ফুকন (Phookan)	ফুকননী

(c) By changing ই to ঈ

সখা, সখি (friend)	সখী
বান্ধনি (Cook)	ৰান্ধনী
মঙ্গলতি (foreteller)	মঙ্গলতী

(d) By changing অক into ইকা

লেখক (writer)	লেখিকা
বালক (boy)	বালিকা
পাঠক (reader)	পাঠিকা
গায়ক (singer)	গায়িকা
সাধক (devotee)	সাধিকা
নায়ক (leader)	নায়িকা

2. By using words of feminine senses.

মতা কুকুৰা (cock)	মাইকী কুকুৰা
মতা হাতী (elephant)	মাইকী হাতী
মতা মহ (buffalo)	মাইকী মহ
মতা ম'ৰা (peacock)	মাইকী ম'ৰা

Mas.	*Fem.*
মানুহজন (man)	মানুহজনী
গৰুটো (cow)	গৰুজনী
মহটো (buffalo)	মহজনী
শিয়াল (fox)	শিয়ালী

3. By using corresponding feminine terms :—

Mas.	*Fem.*
পিতা (father)	মাতা (mother)
খুৰা (uncle)	খুৰী (aunt)
মোমাই (maternal uncle)	মামী (maternal aunt)
পো (son)	বোৱাৰী, জীয়াৰী (daughter-in-law
শহুৰ (father-in-law)	শাহু (mother in-law)
গোলাম (servant)	বান্দী (maid-servant)
পতি (husband)	পত্নী (wife)
নৰ (man)	নাৰী (woman)
বৰলা (bachelor)	বাঁৰী (widow)
ককাই (elder brother)	বৌ, নবৌ (sister-in-law)
দৰা (bridegroom)	কন্যা, কইনা (bride)
গিৰীয়েক, পৈয়েক (husband)	ঘৈণীয়েক (wife)
শিক্ষক (teacher)	শিক্ষয়িত্ৰী (mistress)

Mas.	*Fem.*
সম্পাদক (secretary)	সম্পাদিকা (secretary)
সভাপতি (president)	সভানেত্ৰী (president)
দেৱৰ (brother of one's husband)	ননন্দ (sister of one's husband)
ষাঁড (ox)	গাই (cow)
দমৰা (bull-calf)	চেউৰী (cow-calf)
মুনিহ (man)	তিৰোতা (woman)
বোপাই. দেউতা (father)	আই (mother)
ভাই (brother)	ভনী (sister)
ককা দেউতা (grandfather)	বুঢ়ী আই (grandmother)
জোঁৱাই (son-in-law)	জী (daughter)
ল'ৰা (boy)	ছোৱালী (girl)
দঁতাল (having tusks)	মাখুন্দী (having tusks)
ৰজা (king)	ৰাণী (queen)
তাৱৈ (father's friend)	আমৈ (mother's friend)
গগৈ (Gagai)	আইচু (Aichu)
গোহাঁই (Gohain)	আইচু (Aichu)
কোৰা	কাউৰী
শৰ (big deer)	ভেলেঙী
বোপাটি (a male infant)	আইটি
মগনিয়াৰ (beggar)	মাগনী

Mas	*Fem*
নাচনিয়াৰ (dancer)	নাচনী
চপনীয়া (living as a dependent)	চাপনী
বোন্দা (male cat)	জুঁাই
স্বামী (husband)	স্ত্রী
চোৰ (thief)	চুৰুণী
নগা (Naga)	নাগিনী

There are some words in Assamese which are always used in Masculine gender ; as :—

ব্ৰহ্মপুত্ৰ, সিন্ধু, সোণ, হিমালয়, দেহ, বৃক্ষ, চন্দ্ৰ, সূৰ্য etc.

Famine genders, as :—

লতা, সভা, পৃথিৱী, গঙ্গা, যমুনা, ভাগীৰথী, ৰাত্ৰি, বীণা, ভূমি, সৰস্বতী, ৰজনী, লজ্জা, শোভা, বণিতা, শ্ৰেণী সেৱা, ৰেখা etc.

There are some more Assamese words which are always Feminine ; as —

আয়তী, লাহতী ফুলতী, নামতী, শিপিনী, বোৱনী, ৰাংঢালী, ধনশ্ৰী, সোৱণশিৰী, কাঞ্চী, একাঞ্চী, সাগী, এলাগী, পোৱাঁতী, পে হাৰী মতৰী, ৰচকী, সুৱাগী।

There are some words which are always in neuter gender ; as :—কাৰ্য গ্ৰহণ, শয়ন, সঘৃত, গোবৰ, পাণ্ডিত্য, ভোজন মিত্ৰ, অপত্য, সুখ, দুখ, ধন, ঘৰ, আকাশ etc

Assamese words naming small round-shaped fruits etc. are always in neuter gender. as :—

আম, তাল, পনীয়ল, খাজুৰ, তামোল, কঁঠাল etc.

EXERCISE

1. How many kinds of genders are there in Assamese ? Give examples.

2. Name 4 examples of each kind of words which are masculine, feminine and neuter by nature.

3. Change the genders of :—

শহুৰ, বিয়ৈ, বজা, চাকৰ, ভেলেঙা, বোৱাৰী, ডেকা, ভাহ, কোঁচ, বিঘান, বান্ধনী, দমৰা, জী, নাচনী, দঁতাল, মনিহ, ভাগিন, ছোৱালী ।

LESSON 11

Number (বচন) Bachan

There are two numbers :— Singular (একবচন) and Plural বহুবচন)

সকল, বিলাক, লোক, বোৰ, হঁত, মখা, জাক, পাল, গণ, সমূহ, বৃন্দ, মণ্ডলী etc. are used in forming Plural numbers ; as :—

Singular	*Plural*
তেওঁ (he)	তেওঁলোক (they)
মানুহ (man)	মানুহবিলাক (men)
তেখেত (he)	তেখেতসকল (they)
গৰু (cow)	গৰুবোৰ (cows)
ল'ৰা (boy)	ল'ৰাহঁত (boys)
বস্তু (thing)	বস্তুমখা (things)
মহ (buffalo)	মহজাক (buffaloes)
ঘৰ (house)	ঘৰবোৰ (houses)
প্ৰজা (subject)	প্ৰজাসমূহ (subjects)
ছাত্ৰ (student)	ছাত্ৰবৃন্দ (students)

Singular	*Plural*
মুনি (sage)	মুনিগণ (sages)
পণ্ডিত (scholar)	পণ্ডিতমণ্ডলী (scholars)
ডাঙৰীয়া (honourable)	ডাঙৰীয়াসকল (honourables)

লোক সকল etc. are used for respectable ones and বোৰ হঁত etc are for common persons, as :—

তেওঁ—তেওঁলোকে বা তেখেতসকলে (they) respectful সি—সিহঁত (they) common. বোৰ and বিলাক are also used with inanimate objects as :—

কিতাপ (book)	কিতাপবোৰ (books)
কেৰাহী (iron pan)	কেৰাহীবোৰ (irons pans)
চাউল (rice)	চাউলবোৰ, চাউলবিলাক
দালি (pulse)	দালিবোৰ, দালিবিলাক

টি, টো, খন, খনি, জন, জনী etc. are used to signify the singular numbers of common nouns, as :—

এজন মানুহ (one man)	মানুহজন (the man)
এটা ল'ৰা (one boy)	ল'ৰাটো (the boy)
এখন থাল (a dish)	থালখন (the dish)

টো, এটা, etc. are used for ordinary persons, youngsters or inanimate objects, as :—

ল'ৰাটো কেনে—how is the boy ?

এটা দুষ্ট মানুহ আহিছিল—One wicked man had come.

জন, গৰাকী are used for respectable persons both in singular and plural numbers as :—

এজন মানুহ—one man.

তিনি গৰাকী তিৰোতা—three ladies.

দু গৰাকী ছোৱালী—two girls.

পাঁচ গৰাকী পণ্ডিত five scholars.

Sometimes অনেক, সকলো, বহুত, কিমান etc. are used for plural numbers as :—

মানুহ (man) বহুত মানুহ (many men)

ছাত্র (student) অনেক ছাত্র (many students)

কিতাপ (book) কিমান কিতাপ (how many books).

Sometimes plural numbers are formed by repeating the adjectives as :—

ডাঙৰ ডাঙৰ নদী—big rivers.

সৰু সৰু গছ—little trees.

পকা পকা ফল—ripe fruits.

Examples :

কেঁচুৱাটোৱে হাঁহে—The little boy laughs.

কেঁচুৱাজনীয়ে হাঁহে—The little girl laughs.

ল'ৰাবোৰে দৌৰে—The boys run.

ছোৱালীবিলাকে খেলে—The girls play.

ঘোঁৰাবিলাক বলবান—The horses are strong.

বলদবোৰ দুৰ্বল—The bulls are weak.

ছবিবোৰ ক'ত আছে—Where are the pictures ?

কলমবিলাক তাত আছে—The pens are there.

সৰু সৰু লৰা—Young boys

ডাঙৰ ডাঙৰ ছোৱালী—Elderly girls.

চিকাৰী দেখি হৰিণবোৰ পলাল—The deer fled away at the sight of the hunter.

উপস্থিত সভ্যসকলে তেওঁক সভাপতি কৰিলে—The members present elected him president.

সকলো মানুহেই এই দৰে ভাবে—All people think so.

সকলো পণ্ডিতেই ভাল মানুহ—All scholars are good men.

বান্দৰবিলাক গছে গাছ বগাই ফুৰে—Monkeys wander on trees.

কুকুৰে কুকুৰে যুঁজ কৰে—Dogs fight among themselves.

পকা পকা আমহে পৰিব লাগে—Only the ripe mangoes should be collected.

পিতৃমাতৃৰ প্ৰতি সকলোৰে সম্মান থকা উচিত—All should have respect towards their parents.

পাঁচ যোৰ জোতা—Five pair of shoes.

দহ জাক গৰু—Ten heard of cattle.

এহেজাৰ মুদ্ৰা—A thousand rupees.

এশখন জাহাজ – A hundred sail.

পাঁচ হাল মহ—Five yoke of buffaloes.

দোযোৰ পাৰ—Two brace of pigeons.

—————

LESSON 12

Case (কাৰক) Karak

There are six cases in Assamese They are কৰ্তা (nominative), কৰ্ম (objective), কৰণ (instrumental), সম্প্ৰদান (dative), অপাদান (ablative), and অধিকৰণ (loeative).

Case and their Suffixes.

Case		*Case-endings*
কাৰক	বিভক্তি	বিভক্তিৰ ৰূপ
কৰ্তা (nom.)	প্ৰথমা (1st)	অ, ই, এ
কৰ্ম (obj)	দ্বিতীয়া (2nd)	ক
কৰণ (inst.)	তৃতীয়া (3rd)	ৰে, দি, দ্বাৰা, দ্বাৰাই
সম্প্ৰদান (dat.)	চতুৰ্থী (4th)	ক'লৈ
অপাদান (abla.)	পঞ্চমী (5th)	পৰা, হন্তে
সম্বন্ধ (poss.)	ষষ্ঠী (6th)	ৰ
অধিকৰণ (loc.)	সপ্তমী (7th)	ত
সম্বোধন (voc.)	—	হে, হেৰা, হেৰি

1. Nominative (কৰ্তাকাৰক)

The nominative case names the agent or one who does something.

বালকে হাঁহে—The boy laughs.
বালিকাই নাচে—The girl dances.
লোকে কয়— People say.
পোকে কাটে—Worm eats.
গৰুৱে ঘাঁহ খায়—The cow eats grass.

In these sentences বালকে, বালিকাই, লোকে, পোকে, গৰুৱে are nominative cases (কৰ্তাকাৰক)।

2. Objective Case (কৰ্মকাৰক)

What is done or acted upon by the verb is called Objective Case (কৰ্মকাৰক). It is generally governed by a transitive verb, as :—

ল'ৰাটোৱে কিতাপ পঢ়ে—Tue boy reads a book.
ছোৱালীজনীয়ে তেওঁক চাইছে—The girl is seeing him.
ৰামে কুকুৰটোক মাৰিলে—ham has beaten the dog.

N. B—Suffix is omitted when object is inanimate

3. Instrumental Case (কৰণকাৰক)

The case denotes something which helps in the completion of an act, as :—

হাতেৰে কাম কৰা—Work with your hand.
জালেৰে মাছ ধৰা—Catch fish with the net.

In these sentences হাতেৰে and জালেৰে are instrumental cases (কৰণকাৰক). In passive voice the third case-ending (তৃতীয়া বিভক্তি) is used with nominative, as :—

তেওঁৰদ্বাৰাই কামটো কৰা হ'ল—The work has been done by him.

4. Dative Case (সম্প্ৰদানকাৰক)

It has two suffixes—ক and লৈ ।

ক denotes something like an unreserved gift (which can never be taken back) and লৈ denotes something done for somebody, as :—

ধনীমানুহজনে দুখীয়াক কাপোৰ দিলে—The rich man gave cloth to the poor man.

মগনীয়াক ভিক্ষা দিয়া—Give alms to the poor.
কিতাপলৈ টকা পাঠিয়াই দিয়া—Send some money for books.

In these sentences [illegible] are in the dative case.

5. Ablative Case (অপাদানকাৰক)

Ablative case is the name of something from which a thing or person is detached, as :—

গছৰপৰা পকা ফল সৰিল—A ripe fruit fell from the tree.

পাপৰপৰা দূৰত থাকিবা—Stay far from sin.

In these sentences গছৰপৰা and পাপৰপৰা are in the ablative case.

6. Possessive Case (সম্বন্ধ পদ)

In Assamese the possessive case– (সম্বন্ধ পদ) and the vocative case (সম্বোধন পদ) are not cases (কাৰক) as they have no relation with the verb in the sentence, as :—

মোৰ এখন কিতাপ হেৰাইছে—A book of mine is missing

মোহন সোহনৰ নিচিনা নহয়—Mohan is not as like as Sohan.

শ্যামৰ ভনীয়েকে লিখিছে—Shyam's sister is writing.

তাৰ কথাত বিশ্বাস কৰি আমাৰ যোৱা উচিত—Taking him at his word, we should go.

Here মোৰ, সোহনৰ, শ্যামৰ, তাৰ and আমাৰ are in the Possessive case.

Sometimes 6th case-ending (ষষ্ঠী বিভক্তি) is used as an adjective, as :—

সি বৰ কামৰ মানুহ —He is a very competent man.
ৰতন বৰ আদৰৰ ল'ৰা—Ratan is a very pet boy.
এইটো বৰ কষ্টৰ বস্তু—This is a very hard-earned thing

7. Locative Case (অধিকৰণকাৰক)

অধিকৰণ কাৰক has the same relation with the verb as an adverb of place or time. It simply shows where and when an event happens. There are two kinds of locative case (অধিকৰণ কাৰক) in Assamese -- (a) কালাধিকৰণ (denoting time), (b) আধাৰাধিকৰণ (denoting place).

(a) কালাধিকৰণ (denoting time)

ৰাতিপুৱা সূৰ্য উদয় হয়—The sun rises in the morning.
আজি দুপৰীয়াটো অতিপাত গৰম—The noon is too hot today.
শৰৎ কালত আকাশ নিৰ্মল হয় – The sky becomes clear in the autumn.
মই এঘণ্টাৰ ভিতৰত কিতাপখন পঢ়ি শেষ কৰিম—I will finish the reading of the book in an hour.

(b) আধাৰাধিকৰণ (denoting place) has three subdivisions in Assamese, as :—

(i) একদেশ (denoting a certain place)
(ii) বিষয় (denoting matter)
(iii) ব্যাপ্তি (denoting prevalence)

(i) একদেশ :—

মই এই গাৱঁত থাকোঁ—I live in this village.

ছাত্ৰীবোৰে স্কুলত পঢ়িছে—The girls are reading in the school.

পানীত মাছ আছে—The fishes are in water.

(ii) বিষয় :—

তেওঁ বিপদত পৰিছে—He is in danger.

তেওঁ বৰ শোচনীয় অৱস্থাত আছে—He is in a very deplorable condition.

তেওঁ সংস্কৃতত বেয়া He is weak in Sanskrit.

(iii) ব্যাপ্তি :—

ঈশ্বৰ সৰ্বত্ৰ আছে—God is everywhere.

তেওঁৰ গাত জ্বৰ আছে—He has fever in the body.

8. Vocative Case (সম্বোধন পদ)

সম্বোধন is used in addressing a person or thing, as :—

হে নাথ ! মোৰ অপৰাধ ক্ষমা কৰক—Oh Lord ! Forgive my faults.

হেৰা ল'ৰাহঁত ! তোমালোক ক'লৈ যোৱা—Oh boys ! ..here are you going ?

হে ঈশ্বৰ ! মোক দয়া কৰা—Oh God ! Be merciful to me.

In these sentences হে নাথ, হেৰা ল'ৰাহঁত and হে ঈশ্বৰ are in the vocative case.

EXERCISE

1. How many cases are there in Assamese ? Cite two examples of each kind.

2. What is অধিকৰণকাৰক ? How many kinds of অধিকৰণকাৰক are there in Assamese ? Cite examples.

LESSON 13

Declension (শব্দৰূপ) Sabdarup

মানুহ (man) masculine

		Singular	*Plural*
1.	Nom.	মানুহে	মানুহবিলাকে
		mam	men
2.	Obj.	মানুহক	মানুহবিলাকক
		to a man	to men
3.	Inst.	মানুহেৰে	মানুহবিলাকেৰে
		by a man	by men
4.	Dat.	মানুহক, মানুহলৈ	মানুহবিলাকক, মানুহবিলাকলৈ
		to or for a man	to or for men
5.	Abla.	মানুহৰপৰা	মানুহবিলাকৰপৰা
		from a man	from men
6.	Poss.	মানুহৰ	মানুহবিলাকৰ
		of a man	of men

		Singular	*Plural*
7,	Loc	মানুহত in a man	মানুহবিলাকত in men
8.	Voc.	হে মানুহ Oh man !	হে মানুহবিলাক Oh men !

Declension of all the masculine words pronounced likewise are the same as in মানুহ ।

ছাত্ৰ (student) masculine)

1.	Nom.	ছাত্ৰই student	ছাত্ৰবিলাকে students
2.	Obj.	ছাত্ৰক to a student	ছাত্ৰবিলাকক to students
3.	Inst.	ছাত্ৰৰে by a student	ছাত্ৰবিলাকেৰে by students
4.	Dat.	ছাত্ৰক, ছাত্ৰলৈ to or for a student	ছাত্ৰবিলাকক, ছাত্ৰবিলাকলৈ to or for students
5.	Alba.	ছাত্ৰৰপৰা from a student	ছাত্ৰবিলাকৰপৰা from students
6.	Poss.	ছাত্ৰৰ of a student	ছাত্ৰবিলাকৰ of students

		Singular	*Plural*
7.	Loc.	ছাত্রত in a student	ছাত্রবিলাকত in students
8.	Voc.	হে ছাত্র ! Oh student !	হে ছাত্রবিলাক ! Oh students !

Masculine words ending in অ such as পাৰ, গছ, কাছ etc. are declined like ছাত্র।

জেঠা (father's elder brother)

		Singular	*Plural*
1.	**Nom.**	জেঠাই	জেঠাহঁতে
2.	**Obj.**	জেঠাক	জেঠাহঁতক
3.	**Inst.**	জেঠাৰে, জেঠাৰদ্বাৰা	জেঠাহঁতেৰে, জেঠাহঁতৰদ্বাৰা
4.	**Dat.**	জেঠাক, জেঠালৈ	জেঠাহঁতক, জেঠাহঁতলৈ
5.	**Alba.**	জেঠাৰপৰা	জেঠাহঁতৰপৰা
6.	**Poss.**	জেঠাৰ	জেঠাহঁতৰ
7.	**Loc.**	জেঠাত	জেঠাহঁতত
8.	**Voc.**	হে জেঠা !	হে জেঠাহঁত !

Masculine words ending in আ such as ডেকা, ঘুৰা, বুঢ়া, মামা etc. are declined like জেঠা।

ছোৱালী (girl) feminine

		Singular	*Plural*
1.	Nom.	ছোৱালীয়ে	ছোৱালীবিলাকে
2.	Obj.	ছোৱালীক	ছোৱালীবিলাকক
3.	Inst.	ছোৱালীৰে, ছোৱালীৰদ্বাৰা	ছোৱালীবিলাকেৰে ছোৱালীবিলাকৰদ্বাৰা
4.	Dat.	ছোৱালীক, ছোৱালীলৈ	ছোৱালীবিলাকক, ছোৱালীবিলাকলৈ
5.	Alba.	ছোৱালীৰপৰা	ছোৱালীবিলাকৰপৰা
6.	Poss.	ছোৱালীৰ	ছোৱালীবিলাকৰ
7.	Loc.	ছোৱালীত	ছোৱালীবিলাকত
8.	Voc.	হে ছোৱালী !	হে ছোৱালীবিলাক !

Declension of all the Feminine words are the same as in ছোৱালী ।

কিতাপ (book) neuter

		Singular	*Plural*
1.	Nom.	কিতাপে	কিতাপবোৰে
2.	Obj.	কিতাপক	কিতাপবোৰক
3.	Inst.	কিতাপেৰে, কিতাপেদি, কিতাপৰদ্বাৰা	কিতাপবোৰেৰে, কিতাপবোৰেদি, কিতাপবোৰৰদ্বাৰা

		Singular	*Plural*
4.	Dat.	কিতাপক, কিতাপলৈ	কিতাপবোৰক, কিতাপবোৰলৈ
5.	Abla.	কিতাপৰপৰা	কিতাপবোৰৰপৰা
6.	Poss.	কিতাপৰ	কিতাপবোৰৰ
7.	Loc.	কিতাপত	কিতাপবোৰত
8.	Voc.	হে কিতাপ	হে কিতাপবোৰ ।

Declension of all the neuter words are the same as in কিতাপ ।

লো (iron) neuter

		Singular	*Plural*
1.	Nom	লোৱে	লোবোৰে
2.	Obj.	লোক	লোবোৰক
3.	Inst.	লোৰে, লোৰদ্বাৰা	লোবোৰেৰে, লোবোৰদ্বাৰা
4.	Dat.	লোক লোলৈ	লোবোৰক, লোবোৰলৈ
5.	Abla.	লোৰপৰা	লোবোৰৰপৰা
6.	Poss.	লোৰ	লোবোৰৰ

		Singular	*Plural*
7.	Loc.	লোত	লোবোৰত
8.	Voc.	হে লো !	হে লোবোৰ !

Neuter words ending in ও are declined like লো ।

DECLENSION OF PRONOMINAL WORDS

(সৰ্বনাম শব্দৰূপ)

মই (I) 1st Person

		Singular	*Plural*
1.	Nom	মই	আমি
		I	we
2.	Obj.	মোক	আমাক
		me	us
3.	Inst.	মোৰে, মোৰদ্বাৰা	আমাৰে, আমাৰদ্বাৰা
		by me	by us
4.	Dat	মোক. মোলৈ	আমাক, আমালৈ
		to or for me	to or for us
5.	Abla	মোৰপৰা	আমাৰপৰা
		from me	from us

		Singular	*Plural*
6.	Poss.	মোৰ	আমাৰ
		my, mine	our, ours
7.	Loc.	মোত	আমাত
		in me	in us

There is no vocative form of Pronomina. words.

তুমি (you) 2nd Person

1.	Nom.	তুমি	তোমালোকে
		you	you
2.	Obj.	তোমাৰ	তোমালোকক
		to you	to you
3.	Inst.	তোমাৰে,	তোমালোকেৰে,
		তোমাৰদ্বাৰা	তোমালোকৰদ্বাৰা
		by you	by you
4	Dat.	তোমাক, তোমালৈ	তোমালোকক. তোমালোকলৈ
		to or for you	to or for you
5.	Abla.	তোমাৰপৰা	তোমালোকৰপৰা
		from you	from you

		Singular	*Plural*
6.	Poss.	তোমাৰ	তোমালোকৰ
		your	yours
7.	Loc.	তোমাত	তোমালোকত
		in you	in you

তই (thou) 2nd Person

1.	Nom.	তই	তইঁতে
		thou	you
2.	Obj.	তোক	তইঁতক
		to thee	to you
3.	Inst.	তোৰে, তোৰদ্বাৰা	তইঁতেৰে, তইঁতৰদ্বাৰা
		by thee	by you
4.	Dat.	তোক, তোলৈ	তইঁতক, তইঁতলৈ
		to or for thee	to or for you
5	Abla.	তোৰপৰা	তইঁতপৰা
		from thee	from you
6.	Poss	তোৰ	তইঁতৰ
		thy, thine	yours
7.	Loc.	তোত	তইঁতত
		in or on the	in or on you

আপোন (you) in honorific sense

		Singular	Plural
1.	Nom.	আপুনি you	আপোনাসকলে you
2.	Obj.	আপোনাক to you	আপোনাসকলক to you
3.	Inst.	আপোনাৰে, আপোনাৰদ্বাৰা by you	আপোনাসকলেৰে, আপোনাসকলৰদ্বাৰা by you
4.	Dat.	আপোনাক to you আপোনালৈ for you	আপোনাসকলক to you আপোনাসকললৈ for you
5.	Abla.	আপোনাৰপৰা from you	আপোনাসকলৰপৰা from you
6.	Poss.	আপোনাৰ your	আপোনাসকলৰ yours
7.	Loc.	আপোনাত in you	আপোনাসকলত in you

সি (he) third person

		Singular	*Plural*
1.	Nom.	সি	সিহঁতে
		he	they
2.	Obj.	তাক	সিহঁতক
		him	them
3.	Inst.	তাৰে, তাৰদ্বাৰা	সিহঁতেৰে সিহঁতৰদ্বাৰ
		by him	by them
4.	Dat.	তাক, তালৈ	সিহঁতক, সিহঁতলৈ
		to or for nim	to or for them
5.	Abla	তাৰপৰা	সিহঁতপৰা
		from hin	from them
6.	Poss.	তাৰ	সিহঁতৰ
		his	their
7.	Loc,	তাত	সিহঁতত
		in him	in them

তাই (she) third person

1.	Nom.	তাই	তাইহঁতে
		she	they

		Singular	*Plural*
2.	Obj.	তাইক	তাইহঁতক
		to her	to them
3.	Inst.	তাইৰে, তাইৰদ্বাৰা	তাইহঁতেৰে, তাইহঁতৰদ্বাৰা
		by her	by them
4.	Dat.	তাইক, তাইলৈ	তাইহঁতক, তাইহঁতলৈ
		to or for her	to or for them
5.	Abla.	তাইৰপৰা	তাইহঁতৰপৰা
		from her	from them
6.	Poss.	তাইৰ	তাইহঁতৰ
		her	their
7.	Loc.	তাইত	তাইহঁতত
		in her	in them

তেওঁ (he, she) third person

		Singular	*Plural*
1.	Nom.	তেওঁ	তেওঁবিলাকে
		he or she	they
2.	Obj.	তেওঁক	তেওঁবিলাকক
		him or her	them

		Singular	*Plural*
3.	Inst.	তেওঁৰে. তেওঁৰদ্বাৰা	তেওঁবিলাকেৰে, তেওঁবিলাকৰদ্বাৰা
		by him or her	by them
4.	Dat.	তেওঁক, তেওঁলৈ	তেওঁবিলাকক, তেওঁবিলাকলৈ
		to or for him or her	to or for them
5.	Abla	তেওঁৰপৰা	তেওঁবিলাকৰপৰা
		from him or her	from them
6.	Poss.	তেওঁৰ	তেওঁবিলাকৰ
		his or her	their
7.	Loc.	তেওঁত	তেওবিলাকত
		in or on him or her	in or on them

যি (who) in all genders

		Singular	*Plural*
1.	Nom	যি	যিবিলাকে
		who, which	who which
2	Obj.	যাক	যিবিলাকক
		to whom. which	to whom which

		Singular	*Plural*
3.	Inst.	যাৰে, যাৰদ্বাৰা by whom or which	যিবিলাকেৰে, যিবিলাকৰদ্বা by whom or which
4.	Dat.	যাক, যালৈ to or for whom	যিবিলাকক, যিবিলাকলৈ to or tor whom
5.	Abla.	যাৰপৰা from whom	যিবিলাকৰপৰা from whom
6.	Poss.	যাৰ whose	যিবিলাকৰ whose
7.	Loc.	যাত in or on whom	যিবিলাকত in or on whom

The suffix সকল also may be used with the plural forms.

কোন **Who, Which (interrogative) in all genders**

1.	Nom.	কোন, কোনে who, which	কোনবিলাকে who, which
2.	Obj.	কাক to whom, which	কোনবিলাকক to whom which
3.	Inst.	কাৰে, কাৰদ্বাৰা by whom	কোনবিলাকেৰে কোনবিলাকৰদ্বাৰা by whom

		Singular	Plural
4.	Dat.	কাক, কালৈ	কোনবিলাকক, কোনবিলাকলৈ
		to or for whom	to or for whom
5.	Abla	কাৰপৰা	কোনবিলাকৰপৰা
		from whom	from whom
6	Poss.	কাৰ	কোনৰিলাকৰ
		whose, of which	whose, of which
7.	Loc.	কাত	কোনবিলাকত
		in or on whom	in or on whom

কোনো **(somebody)—in all genders.**

1.	Nom.	কোনোৱে	কোনোবিলাকে
2.	Obj.	কোনোক	কোনোবিলাকক
3.	Inst.	কোনোৱে, কোনোৰদ্বাৰা	কোনোবিলাকেৰে, কোনোবিলাকৰদ্বাৰা
4.	Dat.	কোনোক, কোনোলৈ	কোনোবিলাকক, কোনোবিলাকলৈ
5.	Abla.	কোনোৰপৰা	কোনোবিলাকৰপৰা

		Singular	*Plural*
6.	Poss	কোনোৰ	কোনোবিলাকৰ
7	Loc.	কোনোত	কোনোবিলাকত

কিহ, যিহ (which) neuter gender

[These two pronouns have no plural forms.]

		কিহ	যিহ
1.	Nom.	কিহ, কিহে	যিহ, যিহে
2.	Obj.	কিহক	যিহক
3.	Inst.	কিহেৰে	যিহেৰে
4.	Dat.	কিহলৈ	যিহলৈ
5.	Abla.	কিহৰপৰা	যিহৰপৰা
6.	Poss.	কিহৰ	যিহৰ
7.	Loc.	কিহত	যিহত

Practise :—

তোমাৰ নাম কি—What is your name ?

মোৰ নাম গোপাল—My name is Gopal.

তুমি ক'ত থাকা—Where do you live in ?

মই গুৱাহাটীত থাকোঁ—I live in Gauhati

তুমি কি কাম কৰা—What are you ?

মই এজন কিতাপ বেচোঁতা—I am a bookseller.

তোমাৰ দেউতাৰে কি কাম কৰে—What is your father ?

মোৰ দেউতা স্কুলৰ শিক্ষক—My father is school teacher.

গোপালৰ বয়স কিমান—What is the age of Gopal ?

তেওঁৰ বয়স দহ বছৰ—He is now ten years of age.

সি কি কৰে What does he do ?

সি স্কুলত পঢ়ে—He reads in a school.

এই ঘৰত কোন কোন থাকে—Who live in this house ?

এই ঘৰত ৰাম, ৰহিম আৰু যদু থাকে—Ram, Rahim and Jadu live in this house.

হৰি এতিয়া কলিকাতাত আছে—Hari is now in Calcutta.

তেওঁলোকৰ আজি আমাৰ ভাত খোৱা হ'ব—They will dine with us to-day.

যাদৱ ! তোমাৰ পঢ়াশুনা কেনে হৈছে—How are you going on with your studies, Jadav ?

আই ! মোক টকা এটা দিয়ক—Give me a rupee, mother.

তেওঁ ভাত খালেনে—Has he taken his meals ?

গছ কাটিবলৈ মোক এখন কুঠাৰ লাগে—I want an axe to cut the tree.

তেওঁ জানিব পাৰিলে বেয়া পাব—He will be sorry to know it

জানা যদি মোক কোৱা—Tell me if you happen to know it

তেওঁ পৰীক্ষাত উত্তীৰ্ণ হৈছে—He has passed the examination.

মই নিজৰ চকুৰে এই কাৰ্য দেখিছোঁ— I have seen this act with my own eyes.

পৰিশ্ৰমেৰে কৰিব নোৱাৰি এনে কাম পৃথিৱীত নাই—There is nothing in the world that cannot be accomplished through labour.

Exercise

Translate into Assamese :

Our country. Your house. The boys of this of this village. The leaves of a tree. It is not impossible for a young man. He came with me. Where do you live in ? There is not a single (এটাও) fish in this pond. He is now at the court (কাছাৰীত) ।

LESSON 14

Conjugation of Verbs (ধাতুৰূপ) Dhaturup

In Assamese verbs do not change according to their genders and numbers. They only change according to the persons of the nominatives, as :—

1st Person

মই, আমি (mas.)— কৰোঁ —I do, we do (mas.)
মই, আমি (fem.)— ,, I do, we do (fem.)

2nd Person

তুমি, তোমালোকে (mas.)—কৰা—you do (mas.)
তুমি, তোমালোকে (fem.)— ,, you do (fem.)

3rd Person

সি, সিহঁতে (mas) কৰে —he does, they do (mas.)
তাই, তাইহঁতে (fem.) ,, she does, they do (fem.)

মই খাওঁ—I eat.
আমি খাওঁ—We eat.

তুমি খোৱা—You eat.

তোমালোকে খোৱা—You eat.

তেওঁ খায়—He eats.

তেওঁলোকে খায়—They eat.

ৰামে খায়—Ram eats.

সীতাই খায়—Sita eats.

Like other languages the Assamess language also have three tenses : বৰ্তমান (Present), অতীত (Past) and ভবিষ্যৎ (Future).

They have the following subdivision :

1. বৰ্তমান কাল (**Present Tense**)
   (a) নিত্য বৰ্তমান – (**Present Indefinite**)
   (b) স্বৰূপ বৰ্তমান—(**Present Continuous**)

2. অতীত কাল (**Past Tense**)
   (a) স্বৰূপ ভূত—(Present Perfect)
   (b) অপূৰ্ণ ভূত—(Past Indefinite)
   (c) সম্ভাব্য ভূত (Past Subjunctive)

3. ভৱিষ্যৎ কাল (**Future Tense**)

Future tense has no division at all

'হ' ধাতু (Verb to be)

Present Indefinite (নিত্যবৰ্তমান)

1st. Person

মই হও (I am)	আমি হওঁ (we are)

2nd. Person

তই হৱ	তহঁত হৱ
(Thou art)	(you are)
তুমি হোৱা	তোমালোক হোৱা
(You are)	(You are)
আপুনি হয়	আপোনালোক হয়
(You are)	(You are)
honorific	*honorific*

3rd Person

সি হয়	সিহঁত হয়
(he is)	(they are)
তেওঁ হয়	তেওঁলোক হয়
(he is)	(they are)
তেখেত হয়	তেখেতসকল হয়
(he is)	(they are)
honorific	*honorific*

Present Continuous tense

(স্বৰূপবৰ্তমান কাল)

1st. Person

Singular	*Plural*
মই হৈছোঁ	আমি হৈছোঁ

2nd. Person

তই হৈছ	তহঁত হৈছ
তুমি হৈছা	তোমালোক হৈছা
আপুনি হৈছে	আপোনালোক হৈছে

Conjugation of Verbs (ধাতুৰূপ) Dhaturup

3rd. Person

সি হৈছে	সিহঁত হৈছে
তেওঁ হৈছে	তেওঁলোক হৈছে
তেখেত হৈছে	তেখেতসকল হৈছে

Present Perfect Tense

(স্বৰূপভূত কাল)

1st. Person

মই হলোঁ	আমি হলোঁ

2nd Person

Singular	*Plural*
তই হলি	তহঁত হলি
তুমি হলা	তোমালোক হলা
আপুনি হ'ল	আপোনালোক হ'ল

3rd Person

সি হ'ল	সিহঁত হ'ল
তেওঁ হ'ল	তেওঁলোক হ'ল
তেখেত হ'ল	তেখেতসকল হ'ল

Past Indefinite (অপূৰ্ণভূত)

1st. Person

মই হৈছিলোঁ	আমি হৈছিলোঁ

2nd. Person

তই হৈছিলি	তহঁত হৈছিলি
তুমি হৈছিলা	তোমালোক হৈছিলা
আপুনি হৈছিল	আপোনালোক হৈছিল

3rd Person

সি হৈছিল	সিহঁত হৈছিল
তেওঁ হৈছিল	তেওঁলোক হৈছিল
তেখেত হৈছিল	তেখেতসকল হৈছিল

Past Subjunctive (সম্ভাব্যভূত)

1st. Person

Singular	*Plural*
মই হলোঁহেঁতেন	আমি হলোঁহেঁতেন

2nd. Person

তই হলিহেঁতেন	তহঁত হলিহেঁতেন
তুমি হলাহেঁতেন	তোমালোক হলাহেঁতেন
আপনি হলহেঁতেন	আপনালোক হলহেঁতেন

3rd. Person

সি হলহেঁতেন	সিহঁত হলহেঁতেন
তেওঁ হলহেঁতেন	তেওঁলোক হলহেঁতেন
তেখেত হলহেঁতেন	তেখেতসকল হলহেঁতেন

Future Tense (ভবিষ্যৎ কাল)

1st Person

মই হম	আমি হম

2nd Person

তই হবি	তহঁত হবি
তুমি হবা	তোমালোক হবা
আপুনি হব	আপোনালোক হব

3rd. Person

Singular	*Plural*
সি হব	সিহঁত হব
তেওঁ হব	তেওঁলোক হব
তেখেত হব	তেখেতসকল হব

Imperative (অনুজ্ঞা)

2nd. Person

তই হ'ব	তহঁত হ'ব
তুমি হোৱাঁ	তোমালোক হোৱাঁ
আপুনি হওক	আপোনালোক হওক

3rd Person

সি or তেওঁ হওক	তেওঁলোক হওক

ল ধাতু (to take)

Present Indefinite Tense (নিত্যবর্তমান কাল)

1st. Person

মই লওঁ (I take)	আমি লওঁ (we take)

2nd Person

Singular	*Plural*
তই ল (thou takest)	তহঁতে ল (you take)
তুমি লোৱা (you take)	তোমালোকে লোৱা (")
আপুনি লয় (")	আপোনালোকে লয় (")

3rd Person

সি লয (he takes	সিহঁতে লয় (they take)
তেওঁ লয় (")	তেওঁলোকে লয় (")
তেখেতে লয় (")	তেখতসকলে লয় (")

Present Continuous Tense

স্বৰূপবৰ্তমান কাল

1st Person

মই লৈছোঁ (I am taking) আমি লৈছোঁ (we are taking)

2nd Person

তই লৈছ (thou are taking)	তহঁতে লৈছ (you are taking)
তুমি লৈছা (you are taking)	তোমালোকে লৈছা (,,)
আপনি লৈছে (,,)	আপোনালোকে লৈছ (,,)

Singular	*Plural*

3rd Person

সি লৈছে (he is taking)	সিহঁতে লৈছে (they are taking)
তেওঁ লৈছে (,,)	তেওঁলোকে লৈছে (,,)
তেখেতে লৈছে (,,)	তেখেতসকলে লৈছে (,,)

Present Perfect Tense

(স্বৰূপভূত কাল)

1st Person

মই ললোঁ (I have taken)	আমি ললোঁ (we have taken)

2nd Person

তই ললি (thou hast taken)	তহঁতে ললি (you have taken)
তুমি ললা (you have taken)	তোমালোকে ললা (,,)
আপুনি ললে (,,)	আপোনালোকে ললে (..)

3rd Person

সি ললে (he has taken)	সিহঁতে ললে (they have taken
তেওঁ ললে (,,)	তেওঁলোকে ললে (,,)
তেখেতে ললে (.,)	তেখেতসকলে ললে (,,)

Past Indefinite Tense

(অপূৰ্ণভূত কাল)

Singular	*Plural*
1st Person	
মই লৈছিলোঁ (I took)	আমি লৈছিলোঁ (we took)
2nd Person	
তই লৈছিলি (thou didst take)	তহঁতে লৈছিলি (you took)
তুমি লৈছিলা (you took)	তোমালোকে লৈছিলা (,,)
আপুনি লৈছিলে (,,)	আপোনালোকে লৈছিলে (,,)
3rd Person	
সি লৈছিল (he took)	সিহঁতে লৈছিল (they took)
তেওঁ লৈছিল (,,)	তেওঁলোকে লৈছিল (,,)
তেখেতে লৈছিল (,,)	তেখেতসকলে লৈছিল (,,)

Past Subjunctive

(সম্ভাব্যভূত কাল)

1st Person

মই ললোহেঁতেন (I would have taken)	আমি ললোহেঁতেন (we would have taken)

Singular	*Plural*

2nd Person

তই ললিহেঁতেন (thou wouldst have taken)	তহঁতে ললিহেঁতেন (you would have taken)
তুমি ললাহেঁতেন (you would have taken)	তোমালোকে ললাহেঁতেন (,,)
আপুনি ললেহেঁতেন (,,)	আপোনালোকে ললেহেঁতেন (,,)

3rd Person

সি ললেহেঁতেন (he would have taken)	সিহঁতে ললেহেঁতেন (they would have taken)
তেওঁ ললেহেঁতেন (,,)	তেওঁলোকে ললেহেঁতেন (,,)

Future Tense

(ভৱিষ্যৎ কাল)

1st Person

মই লম (I shall take)	আমি লম (we shall take)

2nd Person

তই লবি (thou shall take)	তহঁতে লবি (you shall take)
তুমি লবা (you shall take)	তোমালোকে লবা (,,)
আপুনি লব (,,)	আপোনালোকে লব (,,)

3rd Person

Singular	*Plural*
সি লব (he will take	সিহঁতে লব (they will take)
তেওঁ লব (,,)	তেওঁলোকে লব (,,)
তেখেতে লব (,,)	তেখেতসকলে লব (,)

Imperative (অনুজ্ঞা)

2nd Person

তই ল	তহঁতে লৱ, তহঁতে লৱহক
তুমি লোৱাঁ।	তোমালোকে লৱাহক

3rd Person

সি or তেওঁ লওক	সিহঁতে or তেওঁলোকে লওক

আছ and থাক are added with the Primary verbs to indicate continuity ; as :—

মই গই আছিলোঁ।—I was going.
মই খাই আছিলোঁ।—I was eating.
তেওঁ খাই আছিল—He was eating.
তেওঁ গই আছিল He was going.
মই গৈ থাকিম—I shall be going.
মই খাই থাকিম—I shall be eating.
মই পঢ়ি থাকিম—I shall be reading.

Practise :

তোমাৰ নাম কি ?—**tomar nam ki**

What is your name ?

মোৰ নাম গোপাল—**mor nam Gopal**

My name is Gopal.

তুমি ক'ত থাকা ?—**tumi kot thaka**

Where do you live ?

মই গুৱাহাটীত থাকোঁ— moi guahatit thakon

I live at Gauhati.

তোমাৰ বয়স কিমান ?—**tomar bayakh kiman**

How old are you ?

মোৰ বয়স ষোল বছৰ হৈ গৈছে। **mor bayakh hola basar hoi goise.**

I am past sixteen.

তোমাৰ আই বোপাই আছে নে ?—**tomar ai bopai asene**

Are your parents living ?

বোপাই আছে কিন্তু আই সৰুতে মৰিল—**bopai ase kintu ai harute maril.**

My father is still living but my mother died while I was a child

তোমাৰ বোপাই কি কৰে ?—**tomar bonai ki kare**

What is your father ?

মোৰ বোপাইৰ এখন দোকান আছে—**mor bopair ekhan dokan ase.**

My father keeps a shop.

তুমি কি কৰা ?—**tumi ki kara**

What are you ?

মই এটা কাঠমিস্ত্ৰীৰ লগত থাকি কাম শিকিছোঁ ।—**moi eta kath mistrir lagat thaki kam hikison.**

I am serving as an apprentice to a carpenter.

সেইজন কোন ?—**heijan kon**

Who is that man ?

সেইজন আমাৰ শিক্ষক—**heijan amar hikkhak**

He is our teacher

তোমালোকৰ স্কুলত কিমান ল'ৰা আছে ?—**tomalokar skulat kiman lora ase.**

How many boys are there in your school ?

আমাৰ স্কুলত দু'শ জন ল'ৰা আছে ।—**amar skulat duhajan lora ase.**

There are two hundred boys in our school.

তুমি বহুদূৰ বাট আহিছা ।—tumi bahudur bat ahisa

You have come a long way.

তোমাৰ ভোক লাগিছে নে ?—tomar bhok lagisene

Are you hungry ?

হয়, মোৰ বৰ ভোক লাগিছে —hoy, mor bar bhok lagise.

Yes, I am very hungry.

তুমি কি খাবা ?—tumi ki khaba

What do you want to eat ?

মোক অলপ ফল আৰু একাপ গাখীৰ দিয়ক ।—mok alap fal aru ekap gakhir diyak.

Please give me some fruits and a cup of milk.

মই কামটো কৰিব পাৰিম—moi kamto kariba parim

I shall be able to do the work.

তুমি কামটো কৰিব পাৰিবা নে ?—tumi kamto kariba pariba ne.

Will you be able to do the work ?

EXERCISE

1. Conjugate the verb কৰ (to do) in নিত্য-বৰ্তমান (Present Indefinite Tense) and স্বৰূপ বৰ্তমান (Present continuous Tense) in all numbers and persons.

2. Conjugate the verb ল in স্বৰূপ ভূত (Present Perfect Tense) and ভবিষ্যৎকাল (Future Tense) in all numbers and persons.

3. *Translate into Assamese :—*

I go. He goes. They go. He went. Thou goest. You are going (*honorific*). They are doing. We are running. They went We came home. Ram will not see. We shall not come here

———

LESSON 15

Idiomatic uses of Assamese words

NOUNS

আগ

সি মোৰ আগলৈ আহি এই দৰে ক'লে—He came in front of me and said so.

এই বিষয়ত তেওঁ সকলোৰে আগ হব—He will be the first in this matter.

আগলৈ ই কাম দিব—This will benefit you in future.

সি শ্ৰেণীত সকলো ল'ৰাতকৈ আগত—He is at the top of the class.

কালীপূজাৰ কাৰণে এই পঠাটো আগ কৰা হৈছে—This he-goat has been set apart for the worship of *Kali*.

বিদেশী দূতক ৰজাৰ আগলৈ অনা হ'ল—The foreign messenger was brought before the king.

চিপাহীয়ে পদকীয়াক আদালতলৈ আগ বঢ়াই দিলে—The constable produced the accused before the court.

কৰ

গুৱাহাটীত ঘৰৰ কৰ বেছি—The house-tax of Gauhati his high

লোণৰ কৰ একেবাৰে উঠোৱা নাই—The salt duty has not been altogether abolished.

আমি গুৰুক কিছু কৰ দিব লাগে—We have to pay some tax to our religious preceptor.

নদীয়ে সাগৰক কৰ দিয়ে—The river pays its tribute to the sea.

প্ৰজাই বছৰি ৰজাক মাটিৰ কৰ দিব লাগে—The subject has got to pay revenue to the king annually.

তাৰ সোঁহাতৰ তলুৱাত এটা কৰ আছে—There is a corn on his right palm.

লিখোঁতে লিখোঁতে তাৰ হাতৰ কৰ ফুটিছে—Corns have been formed on his hand for constant writing.

কথা

কবলৈ গলে বহুত কথা—It will make a long story to tell.

এইটো সুন্দৰ কথা—This is a fine idea.

সেয়ে হৈছে কথা—That is the question.

কথাটো এই—The thing is this.

তাৰ কথাত নধৰিবা—Do not take his word to heart.

তোমালোকে মোৰ কথা শুনিবা—You will listen to my words

কথা ৰাখিব নোৱাৰিলে, কথা নিদিবা—Don't give your word if you cannot keep it

সেই বিষয়ে তেওঁৰ লগত মোৰ কথা হৈছিল—I had a talk with him about this matter.

মোৰ লগত তেওঁ কথা নাপাতে—He is not on speaking terms with me.

তেওঁ পাছ নোহোৱাৰ কথাই নাই—There is no doubt that he will pass.

তেওঁ আজি কালিতে অহাৰ কথা আছে—He is expected to come in a day or two

তেওঁৰ কোনো কথাই নাই— He will never raise any objection.

সিদিনাৰ কথাৰ কি হ'ল—What about the matter of that day.

কাল

কালে কাকো নেৰে—Death does not spare anybody.

একালত তেওঁ এই গাঁৱৰ ভিতৰত সকলোতকৈ প্ৰতাপী মানুহ আছিল—Time was. when he was the most influential person of this village.

ইমান সোনকালে তেওঁৰ কাল হব বুলি কোনে জানিছিল—Who thought that he would die so soon.

কালত এই ল'ৰাটোৱেই সকলোখিনি সম্পত্তিৰ অধিকাৰী হব—In course of time this boy will be the owner of this whole property.

বসন্তকালৰ আবহণত কুলি আহে — The cuckoo appears at the advent of the spring season.

গা

গা ভালেই মন ভাল—There is sound mind in sound body

কালি ৰাতি ফুলমতীয়ে গা এৰিছে— Phulmati delivered a child last night.

মোৰ অৱস্থা লাহে লাহে বেয়া হোৱা শুনি তেওঁ গা এৰা দিলে—He deserted me as I had been gradually reduced to straightened circumstances.

আমি শত্রুৰ মাজত আছোঁ, গা চাই ফুৰা উচিত— We are in the midst of enemy, we should be careful.

গছৰ গাডোখৰ বৰ পোন— The trunk of the tree is very straight.

পাই এটা খৰচ কৰিলৈও তেওঁৰ গা টেঙায়—He feels pain to spend even a farthing.

ৰেমাৰত পৰাৰপৰা ল'ৰাটোৱে গা ধৰিব পৰা নাই—The boy has not been able to improve his health since his illness.

গোটেই দিন গা ঘেলাই ফুৰিলে পৰীক্ষা পাছ কৰিবা কেনেকৈ ?—How will you pass the examination if you loiter about the whole day ?

চকু

সৌ গোলাপ ফুলটি কেনে সুন্দৰ ! চালেই চকু ৰয়—How beautiful is that rose ! it is difficult to withdraw eyes from it

ছোৱালীজনী দিনে দিনে চকুত লগা হৈ আহিছে— The girl is becoming fairer day by day.

মই তাৰ ওপৰত সদায় চকু ৰাখোঁ—I always keep an eye upon him.

তেওঁ ইয়াত বৰকৈ চকু দিছে—Hebas looked upon this eagerly.

তুমি পঠিওৱা নমুনা মোৰ চকুত চালাগিল– The sample you sent did not stand my taste.

চাউল

হাতৰ কাম কৰি তেওঁ চাউল মোকোলায়—He earns his livelihood by manual labour.

স্থানীয় বজাৰত চাউলৰ দৰ কিমান ?—What is the price of rice in the local market ?

বুঢ়া মানুহটোৰ চাউল টুটি আহিছে—The days of the old man are being numbered.

তত্ (sense)

তাৰ কথাৰ কিবা তত্ পাইছা নে ?—Have you been able to understand anything of what he says ?

অলপ তত্ লোৱা সকলো জানিবা—Wait a little. You will know everything

মানুহে ততৰে কাম কৰিব লাগে—Man should ac with conscience.

আকাশত সেই তৰাটো তত্ কৰিব পাৰছা নে ? Have you been able to discern that star on the sky ?

নিয়ম

এইটো আমাৰ সমাজৰ নিয়ম— This is a custom of our society

নিয়মত থাকি মানুহে জীৱন দীঘল কৰিব পাৰে— Man can prolong his life by being regular.

স্বাস্থ্যৰক্ষাৰ নিয়মবোৰ ছাত্ৰকাশকাব লাগে—The student should be taught the principles of preservation of health.

ৰাতিপুৱা পাঁচ বজাত উঠা তেওঁৰ নিয়ম—He is in the habit of rising at five in the morning.

মুখ

চুৰিখনৰ মুখ বৰ চোকা— The blade of the knife is very sharp.

মোক দেখি তেওঁ পুবলৈ মুখ কৰিলে—Seeing me he turned his face to the east.

সেই কাজিয়াত তেওঁ মুখ যুঁজাব নালাগিছিল—He ought not to have taken part in the quarrel.

বিচাৰকে উকীলৰ মুখ মাৰি থলে—The judge made the pleader silent.

তেওঁ মানুহৰ মুখ এৰিব নোৱাৰিছিল—He could not disappoint a person.

হাত

তেওঁ কীৰ্তিকো হাত কৰিলে—He has won over Kirti also.

সেই সময়ত মোৰ হাত একেবাৰে খালী আছিল—I was quite out of cash at that time.

তেওঁ হাত উজান নিদিয়াহেঁতেন মই কাম কৰিব নোৱাৰিলোহেঁতেন—I could not have done it but for his assistance

এই কামটো তেওঁৰ হাতত—This work is at his disposal.

এই কিতাপখনে বহুত হাত বাগৰিছে—This book has changed many hands.

মানুহৰ গালৈ হাত তোলা বৰ বেয়া—It is very bad to lift a hand against a person.

VERBS

আশচ

আশচা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি—Man proposes, God disposes.

আমি হাজোলৈ যাবলৈ আলচিছিলোঁ।—We contemplated to go to Hajo.

তেওঁ পুতেকক বিলাতলৈ পঠিয়াবনে নপঠিয়াব আলচিছে—He is considering whether he should send his son to England.

শত্রুৰ হাতৰপৰা কেনেকৈ সাৰিম তাকে আলচা হৈছে—We are making a plan to enable ourselves to be free from the enemy.

বৰ্তমানৰ ৰজাক ভাঙিবলৈ তেওঁবিলাকে আলচিছিল—They were plotting to dethrone the present king.

বুঢ়া ৰজা ঢুকালে কাক ৰজা পতা হব সেই বিষয়ে মন্ত্ৰী-সকলে আলচিছে—The ministers are consulting together as to whom they should enthrone after the death of the reigning king who is old.

উদ্ধাৰ

তেওঁ এই পাপৰপৰা উদ্ধাৰ নাপায়—He cannot atone for this sin.

তেওঁ মোক মৃত্যুৰপৰা উদ্ধাৰিলে—He saved me from death.

এৰ

সি চিৰকাললৈ ঘৰ এৰিলে—**He left his home for good.**

মই সেই কুঅভ্যাস এৰি দিছোঁ—**I have given up that nasty habit.**

বৰষুণ এৰিছে—**The rain has ceased.**

জাহাজে ঘাট এৰিলে—**Steamer has set off.**

মই দুষ্ট ল'ৰাটো এৰ দিছোঁ—**I have abandoned the wicked boy.**

তেওঁ গৱৰ্ণমেণ্টৰ চাকৰি এৰিলে—**He resigned government service.**

জৰিমনা কৰি আচামিক এৰি দিছে—**The accused has been let of with a fine.**

তুমি কেইটা প্ৰশ্ন এৰিলা ?—**How many questions have you omitted ?**

ভোগালী বিহুৰ পিছত গৰখীয়াই গৰু এৰে—**Cows are set at liberty after Bhogali Bihu.**

খেদ

ৰাতিৰ জুই খেদা মিছা—**It is useless to proceed towards a light at night.**

ষাড়টো খেদ—Drive the ox off.

নৰুবধীক দেশৰপৰা খেদা উচিত—The murderer should be expelled from the country.

আমাৰ সেনাই শত্ৰুৰ পাছে পাছে খেদিছিল—Our soldiers were pursuing the enemy.

এটা বনৰীয়া হাতীয়ে মোলৈ খেদিছিল—A wild elephant rushed towards me

খোল

অহা সোনবাৰে স্কুল খুলিব—The school will reopen on Monday next.

শচীনে পাণবজাৰত এখন দোকান খুলিছে—Shachin has set up a shop at Panbazar.

চল

ব্ৰহ্মপুত্ৰত বাৰ মাহ জাহাজ চলে—The steamer plies throughout the year in the Brahmaputra

এই দৰবটোৱে গোটেই সপ্তাহ চলিব—The medicine will continue for the whole week.

এইটো টকা নচলিব বুলি কোনে কয়? Who says that this rupee will not pass?

৫ সেৰ চাউল হলে কুৰিটা মানুহৰ চলিব—Five seers of rice will suffice for twenty men

বৰ্তমান এশটকা ৰূপ হলেই চলিব—Rs. 100 will do at present.

এই নিয়ম আমাৰ দেশত এতিয়াও চলিছে—This custom still prevails in our country.

চলা

তেওঁ কাৰবাৰ চলায়—He conducts his business.

ড্ৰাইভাৰে কল চলায়—The driver drives the engine.

সি গাৰী চলায়—He drives a cart.

বৰ্তমান হেডমাষ্টাৰ স্কুল ভালকৈ চলাইছে -The present Headmaster is managing the school well.

এইটো চাকিৰে বৰ্তমান চলোৱা—Do with this lamp for the present.

নানকে আমাৰ দেশত নতুন ধৰ্মমত চলাইছিল—Nanak was preaching new religious principles in our country.

টান

তেওঁ নিজ বংশৰ ফালেহে টানে—He draws towards his relations.

তেওঁ আৰু দুবছৰমান টানিব—**He may live for two years more.**

তাক হাতত ধৰি টান- **Pull him by the hand**

তেওঁক দক্ষিণ ফালেহে টানিছে—**He has been attracted towards the south.**

এই জোতাযোৰে বেছি দিন নাটানে—**This pair of shoes will not last long.**

তৰ

ঈশ্বৰৰ নাম লৈ মানুহ তৰে—**Men attain salvation with the name of God.**

এইবাৰলৈ কোনো ৰকমে তৰিলোঁ।—**Somehow I am saved for this time.**

সেই বিবাদত তেওঁ মোক তৰালে—**He helped me in that difficulty**

থাক, আছ

তেওঁ ঘৰত আছে—**He is at home**

গৌৰহৰি সদায় ঘৰত থাকে **Gaurhari always keeps** at home.

এতিয়া থাওক, পিছে চাম—Let it be alone now, I shall see to it afterwaro .

তুমি ক'ত থাকা—Where do you live ?

তুমি ক'ত আছা—Where are you put ing up ?

তুমি কেনে আছা—How are you doing ?

মই প্ৰাণে বাচি আছোঁ—I am barely alive.

ধৰ

চোৰটোক পুলিচে ধৰিছিল—The thief was caught by the police

সুৰাই গাত ধৰে—Wine intoxicates the drinker.

জুই একুৰা ধৰা—Kindle a fire.

তাক বিষে ধৰিছে—He is suffering from pain.

খেজুৰ গছত বহুত গুটি ধৰে—The date-palm bears fruits in a large quantity.

তেওঁৰ প্ৰস্তাৱ মোৰ মনত নধৰে—I do not agree to his proposal.

ততালিকে তেওঁলোকে কামত ধৰিলে—Immediately they began to work.

পৰ

বৰষুণ পৰিছে—It is raining.

পানী টোপালে টোপালে পৰিছে—Water is falling drop by drop.

এতিয়া বেলি পৰিছে—Now the sun is going to set.

পহুটো জালত পৰিছিল—The deer was caught in net.

তেওঁ অশেষ কষ্টত পৰিছে—He has been involved in endless distress.

তেওঁ বিছনাত পৰিছে--He is lying down to sleep

কলং নৈ কাজলীত ব্ৰহ্মপুত্ৰত পৰিছে—The Kalong has joined the Brahmaputra at Kajali.

ঘৰৰ চালত এটা চৰাই পৰিছে—A bird is perching on the roof of the house.

পা

তেওঁৰ গা ভাল পাইছে—He is feeling better.

তাক ভূতে পাইছে—He is possessed by an evil spirit

তেওঁ কিতাপ লিখি টকা পাইছে—He has earned money by writing books.

তেওঁ কাৰবাৰত বহুত টকা পাইছে—He has gained a good profit by his business.

তেওঁ এতিয়ামানে ডিব্ৰুগড় পাইছেগৈ—By this time he must have arrived at Dibrugarh.

পোহা

মোৰ ভাইটোকো ময়ে পুহিব লাগে—I have also to support my brother.

মই এটা ডাঙৰ পৰিয়াল পুহিব লাগে—I have to maintain a big family.

তেওঁ এজাক গৰু ছাগলী পুহিছে—He is rearing a good flock of cattle.

প্ৰৱৰ্ত

তেওঁ বৈষ্ণৱ ধৰ্মত প্ৰৱৰ্তিছে—He has followed Vaishnavism.

এই আইন তেওঁৰ ৰাজ্যত প্ৰৱৰ্তন কৰা হৈছিল—This law was enforced in his kingdom.

এইমত আজিও প্ৰৱৰ্তিছে—This principle prevails even to-day.

ভৰ

কলহত পানী ভৰা—Pour water into the pot.

টকাখিনি হাতবাচকত ভৰা—Put the money into the cash box.

পেটটো ভাতেৰে ভৰালে কি লাভ হব—It is useless to fill the stomach with rice only.

মই কিতাপখনৰ দাম ভৰিলোঁ—I have paid the price of the book.

মাত

সি মাতিলে যাবা—Go to him when he calls you.

তুমি মাতিব নালাগে—You need no speak.

সি পাঠ মাতিব নোৱাৰিলে—He could not read his lesson.

মোক তেওঁৰ বিয়ালৈ মাতিছিল—I was invited to his marriage.

মান

ছাত্ৰৰে শিক্ষকক মানিব লাগে—The student should respect his teacher.

আমি স্বাস্থ্যৰক্ষাৰ নিয়ম মানিব লাগে—We should follow the laws of the preservation of health.

হিন্দুৱে অতীত বৰকৈ মানে--The Hindus greatly revere the past.

মই তেওঁৰ উপকাৰ মানিছো—I have acknowledged his benifits.

নাস্তিকে পৰকাল নামানে—An atheist does not believe in the next world.

ৰাখ

তেওঁ ডাঁড়ি ৰাখিছে—He wears beard

এই ল'ৰাটোৱে গৰু ৰাখে—This boy tends cow.

মানীৰ মান ৰক্ষা আমাৰ কৰ্তব্য—It is our duty to show respect to the respectable.

এই কথা মনত ৰাখিবা—Bear this in mind.

টকাকড়ি ৰাখিব পাৰিছা নে নাই—Have you been able to save any money ?

তোমাৰ লগত এই টকাৰ মোনাটো ৰাখবা—Keep this money bag with you.

তেওঁ কথা ৰাখিব নোৱাৰিলে—He could not keep his word.

এই চুৰিখন তোমাৰ জেপত ৰাখা··· Put this knife into your pocket.

লৰ

মোৰ ভৰিখন লৰিছে—My leg is shaking.

ল'ৰাই লৰিছে—The boys are running.

মাছটো ল'ৰিছে— The fish is rotting.

চকীখন অলপমান লৰাই লোৱা·· Please move the chair a little.

তেওঁ অলপতে ঘৰ লৰাব—He will shortly remove his house.

মণিৰামৰ হাতত লৰ স্বভাৱ আছে – Maniram is in the habit of picking pockets.

লাগ

তাৰ বৰ ভয় লাগিছে—He is greatly afraid

ইয়াত হাত নলগাবা—Do not touch it.

আমটো খাবলৈ মিঠা লাগিছে—The mango has tasted sweet

কামটো কৰিবলৈ বহুত সময় লাগিব—It took a long time to finish the work

সাজ

তেওঁ চকী এখন সাজিছে—He is making a chair.

পদকীয়াই প্ৰায়ে কথা সাজে—An accused often gives a false statement.

বিশ্বাসৰ অযোগ্য কথা সজা ভাল নহয়—It is wrong to invent incredible stories.

সাধ

সাধিলে সকলো ডাঙৰ কামেই সিদ্ধি হয়—All great things can be performed only if we endeavour.

সিদ্ধিৰ কাৰণে সাধিব লাগে—One should persevere for success.

ছাত্ৰক শব্দ সাধিবলৈ শিকোৱা হয়—The student is taught to decline a word.

সোধ

মই সেই বিষয়ে সুধিছিলোঁ—I enquired into that matter.

বিচাৰকে মোকৰ্দমা সোধে—The judge tries cases.

এই চুৰিখন তোমাৰ জেপত ৰাখা-- Put this knife into your pocket.

লৰ

মোৰ ভৰিখন লৰিছে—My leg is shaking.

ল'ৰাই লৰিছে—The boys are running.

মাছটো ল'ৰিছে— The fish is rotting.

চকিখন অলপমান লৰাই লোৱা- Please move the chair a little.

তেওঁ অলপতে ঘৰ লৰাব—He will shortly remove his house.

মণিৰামৰ হাত লৰ স্বভাৱ আছে - Maniram is in the habit of picking pockets.

লাগ

তাৰ বৰ ভয় লাগিছে—He is greatly afraid

ইয়াত হাত নলগাবা—Do not touch it.

আমটো খাবলৈ মিঠা লাগিছে—The mango has tasted sweet

কামটো কৰিবলৈ বহুত সময় লাগিব—It took a long time to finish the work

সাজ

তেওঁ চকী এখন সাজিছে—He is making a chair.

পদকীয়াই প্ৰায়ে কথা সাজে—An accused often gives a false statement.

বিশ্বাসৰ অযোগ্য কথা সজা ভাল নহয়—It is wrong to invent incredible stories.

সাধ

সাধিলে সকলো ডাঙৰ কামেই সিদ্ধি হয়—All great things can be performed only if we endeavour.

সিদ্ধিৰ কাৰণে সাধিব লাগে—One should persevere for success.

ছাত্ৰক শব্দ সাধিবলৈ শিকোৱা হয়—The student is taught to decline a word.

সোধ

মই সেই বিষয়ে সুধিছিলোঁ।—I enquired into that matter.

বিচাৰকে মোকদ্দমা সোধে—The judge tries cases.

ADJECTIVES

কু

কুবাক্য ill words কুসঙ্গ evil company

কুৰূপ -ugly appearance. কুসংস্কাৰ – false notion.

কেঁচা

কেঁচা বুদ্ধি--unripe intelligence.

কেঁচা ডেকা—a raw youth.

গাঢ়

গাঢ় নিদ্ৰা – sound sleep.

গাঢ় চিন্তা—deep thinking.

ঘন

ঘন চুলি – thick hair. ঘন গাখীৰ—condensed milk.

ঘন চিয়াহী—thick ink ঘন উশাহ—frequent breathing.

দীঘল

দীঘল গাছ – a tall tree.

দীঘল বন্ধ—a long vacation.

পকা

পকা চুলি—grey hair.

পকা ল'ৰা—a clever boy.

পকা ঘৰ—brick-built house.

পকা আম—ripe mango.

পাতল

পাতল মন – **light mind.**

পাতল কাকত – **thin paper.**

ভয়ানক

ভয়ানক মানুহ—a dangerous man.

ভয়ানক দৃশ্য—horrible sight

ভয়ানক হত্যাকাণ্ড—diabolical murder

ভয়ানক অগ্নিকাণ্ড—terrible fire.

ভয়ানক কাণ্ড—a dreadful affair.

ভাল

ভাল অৱস্থা—well-to-do position.

ভাল মানুহ—gentle man.

ভাল পণ্ডিত—eminent scholar.

ভাল খবৰ—happy news.

ভাল পঢ়াশুনা—good preparation of lessons

ভাল জল বায়ু—congenial climate.

ভাল কিতাপ—choice books.

ভাল উপদেশ—useful advice.

সৰু

সৰু ডাল—a slender branch.

সৰু কলম—a fine pen.

সৰু মাহুহ—a short man.

সৰু কথা—mild talk.

সৰু ঘৰ—a small house.

সৰু ল'ৰা—a little boy.

সামান্য

সামান্য বিষয়—a trifling matter.

সামান্য মাহুহ—an insignificant person.

সামান্য জ্বৰ—slight tever.

সামান্য বস্তু–small thing.

সামান্য লোক–ordinary fellow.

সামান্য অসুখ—A little indisposition.

LESSON 16

Phrases & Proverbs

PHRAASES

Noun

মাকৰ মৰম—affection of mother.

সমাজৰ দস্তুৰ—the custom of society.

চৰিত্ৰৰ বল – strength of character

ঈশ্বৰৰ মহিমা the glory of God.

প্ৰকৃতিৰ সৌন্দৰ্য—the beauty of nature.

সুখৰ নিজৰা—the fountain of happiness

সূৰ্যৰ কিৰণ—rays of the sun.

মনৰ সুখ-সন্তোষ—satisfaction of mind.

আয়ৰ বাট – a source of income.

চাউলৰ চালান—a consignment of rice

দুখৰ বিষয়—a matter of regret.

গছৰ খোৰোং the hollow of a tree.

সোঁতৰ বেগ—the current of stream.

ইন্দ্ৰিয়ৰ দাস—slave to one's passions.

পেটৰ অসুখ—disorder of bowels.

ব্যয়ৰ হিচাপ—an account of expenditure.

প্ৰমাণৰ ভাৰ—the burden of proof.

টোপৰ মুখ—the mouth of a cannon.

হেড মাষ্টাৰৰ আদেশ—the orders of the Headmaster.

চকুৰ কুটা—an eyesore.

জ্ঞাতি-কুটুম—kith and kin.

তেজ মাংস flesh and blood.

সতৃষ্ণ নয়ন— wistful eyes.

আসন্ন বিপদ —imminent danger.

অৱশ্যম্ভাৱী ফল—inevitable result.

এপাল গৰু—a herd of cows.

দাঁতৰ বিষ —toothache.

পঢ়াশালিৰ ল'ৰা—the school boy.

সোণৰ খাৰু—a gold bracelet.

মৰাপাটৰ কল—a jute mill.

নৈৰ দাঁতি the riverside.

লোৰ হাতুৰী—an iron hammer

টেমচ নদীৰ সুৰঙ্গ—the tunnel of the Thames.

হাতী দাঁতৰ আঙঠি—an ivory ring.

ভাত-কাপোৰ—food and clothing.

হাত-ভৰি— hand and foot.

চিৰস্থায়ী বন্দোবস্ত—the permanent settlement.

বাজে ওজৰ—lame excuse.

ভৰ বয়স— mature age.

শকত গাঁঠি—a tight knot.

জাতীয় চৰিত্ৰ—national character.

শুভলগ্ন—auspicious moment.

এমুঠি চাউল—a handful of rice.

হিয়াফলা বাতৰি— heart-rending news.

একেলগে থকা পৰিয়াল-- a joint family.

এগিলাচ পানী—a glass of water.

চাৰি গাড়ী চাউল—four cartloads of rice.

এচামুচ গাখীৰ—a spoonful of milk.

স্থাবৰ সম্পত্তি—immovable property.

ধনৰ হেঁপাহ—desire for wealth.

সোণৰ বনকৰা কাপোৰ— gold embroidered cloth.

মন্ত্ৰ মুগ্ধ—spellbound.

আশানুৰূপ—to one's expectations

বিচাৰাধীন—under trial.

মৰণাধীন—subject to death.

এলাহৰ বশ - given to lethargy.

অৰ্থলোভী—greedy of gain.

অজৰ অমৰ—not subject to death.

নতুনকৈ উঠা—newly rising.

বিয়াৰ বয়সীয়া—of marriageable age.

সংকীৰ্ণমনা—narrow-minded.

কাণে নুশুনা—hard of hearing.

Adverblal

সুন্দৰকৈ—nicely, বিশেষকৈ—particularly, বিতোপনকৈ—beautifully, তন্নতন্নকৈ—minutely, মাইকৈ—chiefly, স্পষ্টকৈ—plainly.

বিশদভাৱে—elaborately.

বিশ্বস্তভাৱে—faithfully.

নম্ৰভাৱে—modestly.

অন্যায়ভাৱে—unjustly.

সুচাৰুৰূপে—elegantly.

পুঙ্খানুপুঙ্খৰূপে—minutely.

সেই দৰে—accordingly, in that way.

এই দৰে—thus, in this way.

সেই দৰেই—in the same manner.

ভালমতে—aptly.

সুখেৰে—happily.

যতনেৰে—carefully.

স্বভাৱতে—naturally.

মৰমেৰে—lovingly.

অনুগ্ৰহ কৰি—kindly.

স্বৰূপতে—really, in truth.

বাৰেবাৰে—again and again, repeatedly.

ঘনেঘনে—often and often, frequently.

মুহূৰ্তে মুহূৰ্তে—at very moment.

বাটে বাটে—by the streets.

দিনে দিনে—day by day, daily.

Prepositional

কাৰণে—because of, for the matter of.

ভয়ত—for the fear of.

হকে—for the sake of.

অনুসন্ধানত—in quest of.

পৰিবৰ্তে, ঠাইত, সলনি—in place of, instead of.

ফলত, পৰিণামত—in consequence of.

সলনি, হৈ—on behalf of, for.

Verbal

আগ কৰ—to introduce to a superior, to produce before.

আগ বঢ়া—to set apart for gods.

আগ বঢ়াই আন—to go forward and receive with politeness.

আগ বাঢ়—to advance, to surpass.

আগ হ—to present oneself to.

আগ-ভেট—to prevent from advancing.

আঁট মাৰ—to thicken.

আঁট ধৰ—to hold fast.

আলু তোল – to root out

আলু উঠ—to be extinct.

উজাৰ—to ruin, to desolate.

খাই পাত ফাল—to be ungrateful.

গপ মাৰ—to boast.

গোট কৰ—to gather to total up.

গোট খা – to assemble.

গোট খুৱা— to unite. to collect.

গোট ধৰ—to bear fruits.

টিকা পা—to know the value or quantity of.

ততাতৈয়া কৰ—to make haste, to hurry up.

তৰ পা —to come to the shore

দম বান্ধ—to heap up.

দম খা—to be gathered in heaps or large quantities.

পম খেদ—**to follow the clue.**

পাগত উঠ—**to be well-tempered.**

পাগ ধৰ—**to temper.**

পাক খা—**to be twisted.**

পাক পৰ—**to move as an eddy.**

পাক মাৰ—**to go and come back quickly.**

অথালিপথালি—**lengthwise and crosswise.**

অপাকী—**not easily digestible.**

চকুপোৰা—**envious.**

চকুৰোৱা—**beautiful, attractive.**

অলপখতুৱা—**timid.**

অলো-ভলো—**unmeaning, incoherent.**

অহো হোৱা—**open-hearted.**

আউলীয়া - **deranged, disordered.**

আটকীয়া—**scarce, rare.**

আটষ্টিয়াৰ—**well-to-do.**

PROVERBS

অতি ভক্তি চোৰৰ লক্ষণ **Too much courtesy too much craft.**

অতিদৰ্পে হতা লঙ্কা—**Pride must have a fall.**

অল্পভাষী জ্ঞানীৰ লক্ষণ- **Wise man speaks little.**

অভ্যাসৰ নৰ কণপথে কৰে শৰ—Habit is the second nature.

অল্প বিদ্যা ভয়ঙ্কৰী—Little learning is a dangerous thing.

আদৰত ল'ৰা নষ্ট—Spare the rod and spoil the child.

আপদৰ বন্ধুৱেই যথাৰ্থ বন্ধু—A friend in need is a friend indeed.

আপোন ভালেই জগত ভাল—To the pure all things are pure.

আয় চাই ব্যয় কৰিবা—Cut your coat according to your cloth.

উপদেশতকৈ উদাহৰণ ভাল—Example is better than precept.

এবাৰ সাপে খালে কেঁচুলৈকো ভয়—A burnt child dreads the fire.

এপাত তালে নাবাজে—It takes two to make a quarrel.

কথাত কথা বাঢ়ে—Words beget words.

কটা ঘাঁত কলা খাৰ—To add insult to injury.

কুকুৰ চাই টাঙোন—Tit for tat.

ক্ষমা স্বৰ্গীয় বস্তু—To forgive is divine.

ক্ষমাই প্ৰকৃত প্ৰতিহিংসা—Forgiveness is the noblest revenge.

গতস্য শোচনা নাস্তি—Let bygones be bygones.

গেলাত টেঙা নিদিবা—Don t add insult to injury.

চকুৰ আঁতৰ হলে মনৰো আঁতৰ—Out of sight, out of mind.

চোৰ পলালে বুদ্ধি ওলায়—Everyone is wise after the event

চকচকীয়া হলেই সোণ নহয়—All that glitters is not gold.

চুঙা চাই সোপা—Tit for tat.

জোৰ যাৰ মুলুক তাৰ—Might is right.

ছেগ বুজি কৰিবা কাজ—Strike while the iron is hot

টকাত টকা বাঢ়ে - Monev begets money.

তিলকে তাল কৰা—To make a mountain out of a molehill.

তেলীৰ মূৰত তেল—To carry coal to Newcastle.

দুখ নকৰিলে সুখ নহবে—No rose without a thro

দুখৰ ৰাতি সোনকালে নুপুৱায়—Sad hours seem lo

নাই মোমাইতকৈ কণা মোমাই ভাল—Half a loaf i better than no loaf.

নানা মুনিৰ নানা মত—Many men many minds.

শুবুৰে মানে বাবা নমৰে মানে চাবা—While there i life there is hope.

নহলে যতন নিমিলে ৰতন—No pain no gain.

নকটা খেৰৰ ন শ—To count the chickens befor they are hatched.

পাপৰ ধন পৰাচিত্তত যায়—Ill got ill spent.

পলমে বিপদ মাতে—Delay is dangerous

পাপ কথা লুকাই নাথাকে—Murders will out.

ফলেন পৰিচীয়তে A tree is known by its frui

বিনা মেঘে বজ্রপাত – A bolt from the blue.

বাপেক চাই পুতেক Like father, like son.

ভাতৰ আঞ্জা ভোক—Hunger is the best sauce.

ভুকুতে কলটো নপকে - Rome was not built in day.

ভালৰ ভাল সৰ্বতিকাল— Honesty is the best policy.

মানুহে পাতে ঈশ্বৰে ভাঙ্গে—Man proposes God disposes.

মেঘে যিমান গাজে তিমান নবৰিষে—Barking dogs seldom bite.

মুখত মিঠা ভিতৰত গৰল—A honey tongue, a heart of gall.

মৌনম্ সম্মতি লক্ষণম্ —Silence gives consent.

মুনীনাঞ্চ মতিভ্ৰমঃ—Even Homer sometimes nods.

মানুহ মাত্ৰেৰেই ভুল হয়—To err is human.

যেনে কাম তেনে ফল—As you sow, so will you reap.

যি মূলা বাঢ়িব তাৰ দুপতীয়াতে চিন—Morning shows the day.

যত দোষ নন্দঘোষ—I am the scapegoat.

ৰৌটোক ঢৌটো কৰা—To make a mountain out of a molehill.

ৰামো নাই অযোধ্যাও নাই— Oh the times! oh the manners!

শুই থকা কুকুৰৰ জগাই নলবা—Do not wake the sleeping dog.

শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে—A sleeping fox catches no poultry.

শেষ ভালেই সকলো ভাল—All's well that ends well.

সাপেহে দেখে সাপৰ ঠেং—Set a thief to catch a thief.

সময় কালেকো বৈ নাথাকে—Time and tide wait for nobody.

হলে হল কাঢ়ে—One nail drives out another.

LESSON 17

Conversation is Assamese

(1)

শিক্ষক— তোমাৰ নাম কি ?
What's your name ?

গোপাল— মোৰ নাম শ্ৰীগোপাল চন্দ্ৰ দাস
My name is Sri Gopal chandra Das.

শিক্ষক— তোমাৰ দেউতাৰ নাম কি ?
What's your father's name ?

গোপাল— মোৰ দেউতাৰ নাম শ্ৰীৰাখালচন্দ্ৰ দাস।
My father's name is Sri Rakhal Ch. Das.

শিক্ষক— তেখেতে কি কাম কৰে ?
What is he ?

গোপাল— তেখেতে অফিচত কাম কৰে।
He works in an office.

শিক্ষক— তোমাৰ জনমভূমি কি ?
What is your birthplace ?

গোপাল— মোৰ জনমভূমি কামৰূপ জিলাত।
My birth place is in the Kamrup district.

শিক্ষক— এতিয়া ক'ত থাকা ?

Where do you live now ?

গোপাল— এতিয়া মই ছিলঙত থাকোঁ।

Now I am living at Shillong.

শিক্ষক— তোমাৰ ঘৰত আৰু কোন কোন আছে ?

Who else are living at your home ?

গোপাল— ঘৰত মোৰ আই, এজন ভাই আৰু দুজনী ভনী আছে

There are my mother, one brother and two sisters in our home.

(II)

Naren -- তোমাৰ বয়স কিমান ?—How old are you ?

Suren — মোৰ বয়স ষোল বছৰ হৈ গৈছে—I am passed sixteen.

Naren—তোমাৰ আই বোপাই আছে নে ?—Are your parents living ?

Suren—বোপাই আছে কিন্তু আই সৰুতে মৰিল—My father is still living but my mother died while I was a child.

Naren — তোমাৰ বোপাই কি কৰে ? — What is your father ?

Suren—মোৰ দেউতাৰ এখন দোকান আছে— My father keeps a shop

Naren—তুমি কি কৰা ?—What are you ?

Suren—মই টাইপ-ৰাইটিং শিকিছোঁ—I am practising type-writing.

Naren—তুমি এতিয়া ক'লৈ যোৱা ?—Where are you going now ?

Suren—মই অলপ ফল কিনিবলৈ বজাৰলৈ যাওঁ—I am going to purchase some fruits from the market.

Naren—এতিয়া তুমি যাব পাৰা—Now you may go.

(III)

Student—মোক এই কিতাপবোৰ দিয়কচোন।

Please have me these books.

Book-seller—তালিকাখন দিয়ক, মই কিতাপ আনি দিওঁ।

Kindly let me have the list, I will bring you the books.

Student—বাৰু বহিছোঁ অলপ লৰালৰি কৰিব, মোৰ জৰুৰী কাম আছে।

All right, kindly make haste, I have some urgent piece of business to attend.

Book-seller—আটাইবোৰ কিতাপ লাগে নে চিন দিয়াবোৰহে লাগে ?

Do you want all the books or only the marked ones ?

Student—কিমান টকা হ'ল ? মই কিমান টকা ঘুৰাই পাম

What is the amcunt to be paid ? What balance shall I get ?

Book-seller—দুটকা বাৱন্ন পইচা ।

Rupees two and fifty-two paise.

IV

Doctor & Patient

Patient- নমস্কাৰ ডাক্তৰবাবু. মোৰ কথা অলপ শুনিব নে ?

Good morning, doctor ! Can you spare me a few minutes •

Doctor—নিশ্চয় শুনিম, আহক বহক কওকচোন আপোনাৰ কি হৈছে ?

Certainly ! Come in and sit down. Now teil me what the matter is with you ?

Patient—সেই কথাটোকেই আপোনাক কবলৈ বিচাৰিছো।
That is just what I want to tell you.

Doctor—তেন্তে কওকচোন বাৰু আপোনাৰ কি অসুবিধা হৈছে?
Well, tell me what are your troubles?

Patient—হয় আছে, কিন্তু আটাইতকৈ অসুবিধা হৈছে নিশা মোৰ ভাল টোপনি নহয়।
Yes. I am And what is worse, I can't sleep well at night

Doctor—হয় নেকি, আপুনি কি কাম কৰে?
I see, What are you?

Patient—মই এটা ব্যৱসায়ী অফিচৰ কেৰাণী। অফিচত মই একে ঠাইতে বহুত সময় বহি কাম কৰিব লাগে।
I am a clerk in a merchant office and have to work long hours at a sitting.

Doctor—আবেলি আপুনি কিবা ব্যায়াম কৰে নেকি?
Do you take any sort of exercise in the evening?

Patient মযো তাকেই ভাবোঁ। বহুতদিন ধৰি মই ছুটী পোৱা নাই।
I also admit this. I could not have any leave for a long time.

Doctor আপুনি আপোনাৰ অফিচৰপৰা কিছুদিনৰ কাৰণে ছুটী লব নোৱাৰে নে ?

Are you not able to secure leave from your office for a few days ?

V

Ramen & Pinaki

Ramen—কেনে আছে ? বহুত দিনৰ মূৰত দেখা পালোঁ।

How do you do ? I see you after a very long time.

Pinaki—হয় ভাই, এটা বিশেষ কামত নগৰলৈ আহিছোঁ। আজিয়েই সন্ধ্যা ফিৰিম।

Yes, brother, I have come on a particular piece of business and will return home this evening.

Ramen—ইমান লৰালৰি কিয় ? নগৰত তোমাৰ ভাল নালাগে নেকি ?

Why so soon ? Do you not like towns ?

Pinaki—নাই ভাই। নগৰ মই মুঠেই ভাল নাপাওঁ। ইয়াৰ লেতেৰা পৰিবেশ মোৰ ভাল নালাগে— গোলমাল মই মুঠেই ভাল নাপাওঁ।

No brother, I don't like towns at all ; not do I find any pleasure in the dirty atmosphere of the town—noise and bustle irritate me.

Ramen—কিন্তু এই আধুনিক যুগৰ কোনটো বস্তুনো গাঁওত পোৱা ?

But what are you getting of this modern time in your village ?

Pinaki—মই যি পাওঁ তাক তুমি নগৰত বহি পাব নোৱাৰা।

The thing which I get, can never be got in the town.

Ramen—কিন্তু ডাঙৰ ডাঙৰ নগৰ বিনে ৰাষ্ট্ৰৰ উন্নতি হব পাৰিব নে ?

But can a nation prosper without its great cities ?

Pinaki—তেনে কথা পাহৰি যোৱা বন্ধু. ৰাষ্ট্ৰৰ বুনিয়াদ গাঁওহে। গাঁওৰ উন্নতি বাদ দি ৰাষ্ট্ৰৰ উন্নতি কেতিয়াও হব নোৱাৰে।

But don't forget. my friend, that the foundation of a nation really lies on its villages. Without the improvement of the villages a nation cannot progress.

Ramen—স্বীকাৰ কৰোঁ, কিন্তু মই নগৰক বাদ দিব নোখোজোঁ।

I do admit it, but I don't like to leave the cities.

Pinaki—ধন্যবাদ, ইমানখনে আমাৰ আলোচনা ভালেই হ'ল। কিন্তু মোৰ বৰ পলম হৈ গৈছে। তুমি যদি আমাৰ গাঁওৰ ঘৰলৈ এবাৰ আহা বৰ ভাল পাম। নমস্কাৰ।

Thank you, my dear brother. we have had a good talk now. But I am getting late, I would be very glad if you come once to our village home. Good day.

LESSON 18

Specimens of Translation

I

ভাৰত আমাৰ মাতৃভূমি। আমি ভাৰতত বাস কৰোঁ, সেই কাৰণে অন্যান্য জাতিয়ে আমাক ভাৰতীয় বোলে। বৰ্তমান ভাৰত স্বাধীন। আমাৰ দেশৰ স্বাধীনতাৰ কাৰণে আমি বৃটিছ শক্তিৰ লগত বহুদিন যুঁজিছোঁ। এই যুঁজত বহু ৰক্তক্ষয় হ'ল আৰু জীৱন উৎসৰ্গিত হ'ল। আমি মহাত্মাজীক কেতিয়াবা পাহৰিব পাৰোঁ নে? আমি জৱহৰলাল নেহৰুক সদায় সোঁৱৰো। বৰ্তমান সুভাষচন্দ্ৰ ক'ত আছে? আমি নাজানো। কিন্তু তেওঁ চিৰদিন আমাৰ মনত জীয়াই থাকিব।

India is our motherland. We live in India. So other nations call us Indians. Today India is free. We have fought long with the British power for the freedom of our country. In this fight much blood has been shed and many lives have been sacrificed. Can we ever forget Mahatmaji ? We always remember Jawaharlal Nehru. Where is Subhas Chandra to day ? We don't know this. But he will live in our memory for ever.

II

ভাৰতত প্ৰত্যেকেই একো একোখন সাম্ৰাজ্য গঢ়ি তোলা আকবৰ, শিৱাজী, হায়দৰ আলি আৰু ৰঞ্জিত সিংহৰ কিতাপৰ জ্ঞান অলপো নাছিলো। তেওঁলোকৰ সাফল্যসমূহ ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা আছে। আমাৰ দেশৰ বহু নাৰী নিজ প্ৰতিভাৰ কাৰণে বিশ্ববিখ্যাত হৈছে। কিন্তু তেওঁলোকৰ কিতাপৰ বিদ্যা অলপো নাছিল। অহল্যাবাঈ, ৰাণী ভৱানী, ভূপালৰ বেগম আৰু অন্যান্য প্ৰতিভাবান নাৰীৰ জীৱনীৰপৰা আমি জানিব পাৰোঁ যে আমিও লিখিব আৰু পঢ়িব নাজানিলেও নিজক উচ্চস্থানলৈ তুলিব পাৰোঁ।

Akbar, Shivaji, Hyder Ali and Ranjit Singh —each of whom had built up an empire in India had no pretension whatsoever to book-knowledge. Almost all of them were illiterate. But their achievements have been recorded in the pages of history in letters of gold. Many ladies in our country have become famous all over the world for their talents. But they have no book learning. From the lives of Ahalyabai, Rani Bhawani. the begum of Bhopal and other gifted ladies we can know that we too can lift ourselves up even though we may not know how to read and write.

III

ভাৰতবৰ্ষৰ ইতিহাস যি পঢ়িছে [illegible] সৰ্বশ্ৰেষ্ঠ মোগল সম্ৰাট আছিল। [illegible] আৰু দাক্ষিণাত্যৰো অধিকাংশ মোগল [illegible] হয়। কিন্তু এই মহাপুৰুষক বিজেতা বুলি [illegible] ভালকৈ চিনিব নোৱাৰোঁ। উদাৰচিত্ততা [illegible] গুণ আছিল আৰু সেই গুণৰ বলেৰেই [illegible] হৈছিল। আজিকালি হিন্দু মুছলমানক [illegible] মহাভাৰতীয় জাতি গঠন কৰিবলৈ চেষ্টা [illegible] আকবৰৰ মনত সৰ্বপ্ৰথমে এই ভাবৰ উদয় [illegible] তাক কাৰ্যত পৰিণত কৰিবলৈ যি যি উপায় [illegible] তাক ভাবিলে সেই মহামনা সম্ৰাটৰ জ্ঞানৰ বিশেষ পৰিচয় পোৱা যায়।

Whoever has read the history of India knows that Akbar was the greatest Mughal Emperor. It was during his time that the whole of Hindustan and the greater part of Deccan was brought under the Mughal Empire. But if we look up to this great man only as a conqueror then we cannot make an estimate of what he really was. Catholicity was the chief trait of his character

II

ভাৰতত প্ৰত্যেকেই একো একোথন সাম্ৰাজ্য গঢ়ি তোলা আকবৰ, শিৱাজী, হায়দৰ আলি আৰু ৰঞ্জিত সিংহৰ কিতাপৰ জ্ঞান অলপো নাছিলো। তেওঁলোকৰ সাফল্যসমূহ ইতিহাসৰ পাত্তত সোণালী আখৰেৰে লিখা আছে। আমাৰ দেশৰ বহু নাৰী নিজ প্ৰতিভাৰ কাৰণে বিশ্ববিখ্যাত হৈছে। কিন্তু তেওঁলোকৰ কিতাপৰ বিদ্যা অলপো নাছিল। অহল্যাবাঈ, ৰাণী ভৱানী, ভূপালৰ বেগম আৰু অন্যান্য প্ৰতিভাবান নাৰীৰ জীৱনীৰপৰা আমি জানিব পাৰোঁ যে আমিও লিখিব আৰু পঢ়িব নাজানিলেও নিজক উচ্চস্থানলৈ তুলিব পাৰোঁ।

Akbar, Shivaji, Hyder Ali and Ranjit Singh —each of whom had built up an empire in India had no pretension whatsoever to book-knowledge. Almost all of them were illiterate. But their achievements have been recorded in the pages of history in letters of gold. Many ladies in our country have become famous all over the world for their talents. But they have no book learning. From the lives of Ahalyabai, Rani Bhawani, the begum of Bhopal and other gifted ladies we can know that we too can lift ourselves up even though we may not know how to read and write.

III

ভাৰতবৰ্ষৰ ইতিহাস যি পঢ়িছে তেওঁ জানে যে আকবৰ সৰ্বশ্ৰেষ্ঠ মোগল সম্ৰাট আছিল। তেওঁৰ দিনতে গোটেই আৰ্যাবৰ্ত আৰু দাক্ষিণাত্যৰো অধিকাংশ মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হয়। কিন্তু এই মহাপুৰুষক বিজেতা বুলি ধৰিলে তেওঁক আমি ভালকৈ চিনিব নোৱাৰোঁ। উদাৰচিত্ততাই তেওঁৰ চৰিত্ৰৰ প্ৰধান গুণ আছিল আৰু সেই গুণৰ বলেৰেই তেওঁ সকলোৰে প্ৰিয়পাত্ৰ হৈছিল। আজিকালি হিন্দু মুছলমানক একেটা কৰি এটা মহাভাৰতীয় জাতি গঠন কৰিবলৈ চেষ্টা চলিছে। মহামতি আকবৰৰ মনত সৰ্বপ্ৰথমে এই ভাবৰ উদয় হৈছিল আৰু তেওঁ তাক কাৰ্যত পৰিণত কৰিবলৈ যি যি উপায় অৱলম্বন কৰিছিল তাক ভাবিলে সেই মহামনা সম্ৰাটৰ জ্ঞানৰ বিশেষ পৰিচয় পোৱা যায়।

Whoever has read the history of India knows that Akbar was the greatest Mughal Emperor. It was during his time that the whole of Hindustan and the greater part of Deccan was brought under the Mughal Empire. But if we look up to this great man only as a conqueror then we cannot make an estimate of what he really was. Catholicity was the chief trait of his character

and by virtue of that special merit he was popular with all. In these days attempts are being made to built up one great Indian nation by uniting the Hindus and the Muslims into one. This idea first occurred to the mind of the noble-minded Akbar and if we think of the means he adopted to give effect to this, we find a striking proof of the wisdom of that noble-minded Emperor.

LESSON 19

Passages for Translation

Translate into English :—

1

আমি কাম কৰোঁ। ল'ৰাবিলাকে খেলে। শিশুবিলাকে হাঁহে। সৰু ছোৱালীবোৰে নাচে। ফুল ফুলে। পূৱকালে সূৰ্য উদয় হয়। চৰায়ে আৰাও কৰে। বতাহ বলে (blows)। পাত সৰে।

2

তুমি কালি ক'ত আছিলা? ঘৰলৈ এজন দোকানী আহিছিল। নানা ৰকমৰ কাপোৰ আনিছিল। মোৰ আয়ে তিনিখন চাদৰ কিনি ৰাখিলে। চাদৰবিলাক খুব ধুনীয়া (nice) তেওঁ আকৌ আহিম বুলি কৈছে। তুমি তেওঁৰপৰা কাপোৰ কিনিবা নেকি?

3

কাল্সিকৈ স্কুল খুলিব। আটাইবোৰ ল'ৰা স্কুললৈ আহিব। যি সকলে দূৰ ঠাইত ফুৰিবলৈ গৈছিল তেওঁলোকো ঘূৰি আহিব।

আমাৰ স্কুলত এঘাৰজন শিক্ষক আছে। প্ৰধান শিক্ষক মহাশয়

স্কুলৰ ওচৰতেই থাকে। তেখেতে আমাক খুব মৰম কৰে
তেখেতৰ পুতেক অবিনাশ আমাৰ শ্ৰেণীত পঢ়ে।

4

আমি অসমীয়া মানুহ। বিহু আমাৰ মাই (principal)
উৎসৱ। বিহু আহিলে আমাৰ মনতৰং লাগে (get delighted)।
সুখী-দুখী, ধনী-দুখীয়া সকলোৱে বিহু উৎসৱ কৰে। বিহু
তিনিটা ; বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। বহাগ বিহুক
ৰঙালী বিহু বোলে। এই বিহুত হুচৰি গায়, ৰং ধেমালি কৰে
আৰু নতুন কাপোৰ লয়।

5

সিংহ বৰ বলবান। ই কাকেকো ভয় নকৰে। এই কাৰণে
মানুহে ইয়াক পশুৰাজ বুলি কয়। সিংহ দীঘলে পাঁচ হাত আৰু
ওখই তিনি হাত পৰ্যন্ত হয়। তাৰ নেঙুৰ (tail) দুই তিনি হাত
দীঘল হয়. কিন্তু সিংহীনীৰ সিমান ডাঙৰ নহয়। সিংহৰ ডিঙিৰ
কেশৰ (mane) আছে সিংহীনীৰ কিন্তু তাকো নাই।

6

ভাৰতবৰ্ষৰ ৰাজধানী দিল্লী। এই দিল্লীৰ ওচৰৰ হস্তিনাপুৰত
এজন ৰজা আছিল। নাম আছিল তেওঁৰ বিচিত্ৰবীৰ্য। বিচিত্ৰ-
বীৰ্যৰ দুজন পুতেক ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু। ধৃতৰাষ্ট্ৰ ডাঙৰ, পাণ্ডু
সৰু। ধৃতৰাষ্ট্ৰ আছিল জন্মৰেপৰা অন্ধ, সেই বাবে সৰু হলেও

পাণ্ডুৱেই হ'ল হস্তিনাপুৰৰ ৰজা। ধৃতৰাষ্ট্ৰৰ পুতেকসকলক কৌৰৱ আৰু পাণ্ডুৰ পুতেকসকলক পাণ্ডৱ বোলা হৈছিল।

Translate into Assamese :—

(1)

Harihar had three sons. Their names were Subodh, Prabodh and Madhav. Madhav was the youngest (সকলোতকৈ সৰু) and Subodh was the eldest of all (সকলোতকৈ ডাঙৰ) Madhav was ten years old and Subodh was twentyfive years. Harihar had lost his wife eight years back.

(2)

Almost all creatures can swim. Elephants, horses, cows, buffaloes, dogs and other animals have not to be taught to do so. Everybody should learn to swim. Young boys and girls (ডেকা গাভৰু) can easily learn how to swim. Swimming is a very good exercise. It yields us much pleasure. It is very pleasant to swim in cold water in the summer.

LESSON 20

Specimens of Assamese Prose & Poetry

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণি দেশ।

এনেখন সুৰলা
এনেখন সুফলা
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত
অ' মোৰ সুৰদী মাত

পৃথিৱীৰ ক'তো
বিচাৰি নোপোৱা
জনমটো কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই।

চাই লওঁ এবাৰ
মুখখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই।

—লক্ষ্মীনাথ বেজবৰুৱা

অসমৰ ঘৰুৱা শিল্প

অসমৰ ঘৰুৱা শিল্প

ঘৰত থাকি হাতেৰে কৰা শিল্পকাৰ্যবিলাকক ঘৰুৱা শিল্প বোলে। প্ৰত্যেক জাতিৰে ঘৰুৱা শিল্প আছে। আমাৰ অসমীয়া জাতিৰো আছে।

অসমৰ ঘৰুৱা শিল্পৰ ভিতৰত এৰি মুগা, পাট, কপাহৰ সূতা কটা, কাপোৰ বোৱা, কাঁহ পিতলৰ বাচন তৈয়াৰ কৰা, বাঁহ বেত আৰু কাঠৰ নানা বস্তু তৈয়াৰ কৰা, মাটিৰ বাচন তৈয়াৰ কৰা, লোৰ অস্ত্ৰশস্ত্ৰ তৈয়াৰ কৰা, সোনৰূপৰ অলঙ্কাৰ গঢ়া, হাতীৰ দাঁতৰ অলঙ্কাৰ আৰু আন আন বস্তু তৈয়াৰ কৰা আদিয়েই প্ৰধান।

কপাহ, এৰি, মুগা আৰু পাটৰ সূতো কাটি কাপোৰ বোৱা অসমীয়া জাতিৰ বিশেষ বৈশিষ্ট্য। সৰ্থেবাৰীৰ কাঁহৰ বাচন আৰু হাজোৰ পিতলৰ বাচনে আজিও সমাদৰ লাভ কৰিয়েই আছে। বাঁহবেতৰ ঢাৰি, পাটী জাপি, কুলা, পাচি-খবাহি, চালনি, বিচনী অসমীয়াৰ ঘৰে ঘৰে। চৰু, চাকি কলহ, টেকেলি আদি মাটিৰ বাচন—দা কোৰ, কটাৰী আদি লোৰ অস্ত্ৰ—সোণৰূপৰ আৰু হাতী দাঁতৰ অলঙ্কাৰ এতিয়াও আমাৰ মানুহে তৈয়াৰ কৰিয়েই আছে।

ওপৰত লিখা ঘৰুৱা শিল্পবিলাক নামত জীয়াই আছে যদিও বিশেষ উন্নতি সাধিব পৰা নাই। উন্নতি সাধিব নোৱাৰাৰ বহুত কাৰণ আছে। তাৰ ভিতৰত আমাৰ দৈনন্দিন জীৱনৰ বস্তুবোৰ

কম মূল্যত পোৱা এটা প্ৰধান কাৰণ। ব্যৱসায় হিচাপে বৰ্তমান যুগৰ যান্ত্ৰিক বস্তুৰ লগত হাতেৰে তৈয়াৰ কৰা বস্তুৰ প্ৰতিযোগিতা নচলে। ফলত ঘৰুৱা শিল্পৰ প্ৰতি আমাৰ মানুহৰ শ্ৰদ্ধা নাইকিয়া হয়। বিদেশী নানা যান্ত্ৰিক বস্তুৱে বজাৰ উপচি পৰে। তাতে আকৌ আমাৰ দেশৰ ঘৰুৱা শিল্পবোৰ অতি দুখীয়া মানুহৰ হাতত। সেই কাৰণে তৈয়াৰ কৰা পদ্ধতিৰো বিশেষ পৰিবৰ্তন ঘটা নাই বা ঘটাবলৈ চেষ্টাও কৰা হোৱা নাই।

িতিকে ইয়াৰ উন্নতি সাধিবলৈ হলে চৰকাৰ আৰু ৰাইজ উভয়ে সঙ্ঘবদ্ধভাৱে চেষ্টা কৰিব লাগিব। সুখৰ বিষয় বৰ্তমান আমাৰ জনপ্ৰিয় গৱৰ্ণমেণ্টে বুনিয়াদী শিক্ষাৰ যোগে এই ঘৰুৱা শিল্পবোৰৰ উন্নতি সাধিবলৈ আঁচনি হাতত লৈছে। আঁচনি কাৰ্যত পৰিণত হলে দেশৰ উন্নতি হব। ৰাইজৰ উন্নতি কৰিবলৈ হলে ঘৰুৱা শিল্পৰ উন্নতি কৰিব লাগিব। ইয়াৰ ফলত নিবনুৱাৰ সংখ্যা কমি যাব। আৰু দেশৰো দৰিদ্ৰতা গুচিব।

হৰবাৰ

অধমে কেৱলে দোষ লয়,
মধ্যমে গুণ দোষ লয়ে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ লয়,
উত্তমোত্তমে অল্পগুণ কৰয় বিস্তাৰ ॥

—মাধৱদেৱ

অসমীয়াৰ বিহু

বিহু আমাৰ অসমীয়াৰ জাতীয় উৎসৱ—বাপতি সাহোন। বিহু বুলিলেই সকলো অসমীয়াৰ মনত যেনেকুৱা আনন্দ হয় আৰু ডেকা-গাভৰুবিলাকৰ মন উত্ৰাৱল হয়, তেনেকুৱা আনন্দ আৰু উলাহ আন কোনো উসৱতেই নহয়। দুৰ্গোৎসৱ আজি অলপ দিনৰপৰাহে আমাৰ নগৰে সোমাইছে। গাৱেঁ-ভূঞে এতিয়াও ভালকৈ সোমোৱা নাই। ইয়াৰ কাৰণ দুৰ্গোৎসৱ অসমীয়াৰ আগৰেপৰা চলি অহা উৎসৱ নহয়, কিন্তু বিহুৰ উৎসৱ হ'লে অসমীয়াৰ নিজা সম্পত্তি—ই অসমীয়াৰ হাড়ে-মগজুৰে লগা বস্তু।

আমাৰ অসমীয়াৰ বিহু তিনিটা। এটা কাতি মাহৰ পহিলা তাৰিখত, ইয়াক কাতি-বিহু বোলে।........

মাঘৰ পহিলা তাৰিখৰপৰা সাত দিনলৈকে মাঘ বিহু। পুহ মাহৰ ভিতৰতে অসমীয়া মানুহে পথাৰৰ শালি ধান দাইমাৰি শেষ কৰে আৰু খেতিৰ উৎপাদন এই মহালক্ষ্মীগালেৰে চিৰ-পিঠা, সান্দহ ইত্যাদি ভোগ্যবস্তু বিহুৰ ছয়-সাত দিনমান আগৰেপৰা মাইকী মানুহে তৈয়াৰ কৰি ৰাখে।... ..

বহাগৰ পহিলা দিনত ৰাতিপুৱা শুই উঠিয়েই সকলোবিলাক মানুহে মুৰত মাহ-বটা গাত হালদি ঘঁহে। ঘৰৰ সমস্ত গৰুকে সেইদৰে মূৰত মাহ-হালধি দিয়ে আৰু জাক পাতি হাতত দীঘলতি মাখিলতি, কুটা লাও-বেঙেনা লৈ গৰখীয়াহঁতে গৰুবিলাকক লৈ নৈ বা বিল পুখুৰীত গা ধুৱাই আনে।

ভাৰতবৰ্ষ

কোন অনাদিৰ আদিত যিদিন বিদাৰী সুনীল সিন্ধু-বক্ষ
উঠিল জননী পতিত-পাৱনী হৰষিত কৰি দেৱতা লক্ষ ।
কত তপস্যাৰ মুৰত স্রষ্টা স্রজিলে জননী ভাৰতবৰ্ষ
ইকি অপৰূপ ! শুভ্ৰ শিৰেৰে সুনীল গগণ কৰিলে স্পৰ্শ ।
নিজেই সৰজি নিজে আচৰিত বিধাতাই দেখি মহান সৃষ্টি
সন্তোষ দেৱ অমৃত নেত্ৰে জননী-বওান কৰিলে দৃষ্টি
সুজলা-সুফলা শস্য-শ্যামলা সেয়েহে জননী ভাৰতবৰ্ষ
নিজ মহিমাৰ গুণ-গৰিমাৰে কোটি মানৱৰ বিধানে হৰ্ষ ।
চৰণত ৰাজে সুনীল সিন্ধু, বক্ষ শ্যামল শস্যে ভৰা,
শুভ্ৰ কিৰীটি হিমাদ্ৰিচূড়াৰ ওপৰত নীল চন্দোৱা তৰা ।
উদাৰ বক্ষ শোভিছে লক্ষ দেৱতা দানৱ অসুৰ নৰ
নাই ভেদাভেদ মহামিলনৰ পাহৰে ইয়াত আপোন পৰ ।
ব্ৰহ্মপুত্ৰ গঙ্গা যমুনা শোভিছে সিন্ধু কণ্ঠহাৰ
দেৱ বাঞ্ছিত বঙ্গভূমিত উজলি শতেক ফটিক ধাৰ ।
দক্ষিণে ৰাখে অপাৰ সিন্ধু উত্তৰে গিৰি হিম-অচল
ৰাখিছে লঙ্ঘিব আকাশ-মাৰ্গ বিশাল দেহৰ প্ৰকাশি বল ।

—শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

LESSON 21

How to write letters in Assamese

(চিঠি লিখা পদ্ধতি)

Like English Assamese letters are also of various kinds, and there is a fixed form or framework for most kinds of letters.

This form consists of several parts, such as :

(1) Heading of the letter (writer's address or place and date—শিৰোনামা, লিখকৰ ঠিকনা আৰু তাৰিখ)

(2) The greeting or salutation (সম্বোধন বা সম্ভাষণ)

(3) The body of the letter (মূল চিঠি)

(4) The subscription or end (চিঠিৰ উপসংহাৰ)

(5) Signature (চহী)

(6) The superscription (name and address of the person written to—চিঠি পাওঁতাৰ নাম আৰু ঠিকনা)

(1) The heading of the letter should be written on the right top of the writing paper.

(2) The greeting or salutation :—

Begin your letter, by greeting or saluting the person you write to, on the left-hand side—a little below the heading.

In Assamese শ্ৰীচৰণেষু, শ্ৰীচৰণকমলেযু. পূজনীয়, etc. are uscd in case of a letter written to one's father, mother or highly regarded superiors. মাননীয়েষু, শ্ৰদ্ধাস্পদেষু, etc. are used to superiors or respectable persons in general. In equal status the use of মৰমৰ, প্ৰীতিভাজনেষু. etc are common. To write to the juniors or affectionate ones of the younger age কল্যাণীয়, কল্যাণীয়েষু, মৰমৰ etc. are used.

Some salutations and subscriptions :

Salutations	*Subscriptions*
(i) To father, uncle, elder brother etc.—	
শ্ৰীচৰণেষু, শ্ৰীচৰণকমলেষু. পূজনীয়, পৰম পূজনীয়, পূজ্য etc	সেৱক, সেৱিকা প্ৰণত. প্ৰণতা etc.
(ii) To mother, aunt, elder sister etc.—	
শ্ৰীচৰণেষু, শ্ৰীচৰণকমলেষু. পূজনীয়া, পৰমপূজনীয়া, পূজ্যা, etc.	সেবক, সেবিকা, প্ৰণত, প্ৰণতা etc.

Specimens of Letters.

Son's letter to his mother.

যোবহাট, অসম
২।৬।৮৬

শ্ৰীচৰণকমলেষু—

শ্ৰীযুক্তা আই,

বহুত দিনৰপৰা আপোনালোকৰ কোনো খা-খবৰ নাপাই চিন্তাত আছোঁ। চিঠি পোবাৰ লগে লগে সকলোৰে কুশল বাতৰি জনাই নিশ্চিন্ত কৰিব। দেউতা আৰু ককাইদেউক মোৰ প্ৰণাম জনালোঁ। মই মন দি পঢ়া-শুনা কৰিছোঁ। পূজাৰ বন্ধত এইবাৰ ঘৰলৈ যাব নোবাৰিম—কিয়নো তেতিয়া হলে পঢ়া-শুনাৰ ক্ষতি হব। বছৰেকীয়া পৰীক্ষাৰ পিছত ডিচেম্বৰ মাহত কেইদিনমানৰ কাৰণে যাব পাৰোঁ। আপোনালোকৰ কাৰণে মনটো কেনেবা কেনেবা কৰে। গৌতম আৰু পৰেশক মৰম দিলোঁ, আপুনি মোৰ ভক্তিপূৰ্ণ প্ৰণাম গ্ৰহণ কৰিব।

ইতি—
সেৱক বিনয়